# গল্প সম্ভাৰ

# কল্যাণী - কল্যাণময়ী

✍ ড০ সোণালী বুঢ়াগোহাঁই
অৱসৰপ্ৰাপ্ত অধ্যাপিকা
উদ্ভিদ বিজ্ঞান বিভাগ

"তেতিয়াহ'লে দদাইদেউ আমি এতিয়া আহো?"

"অ' কালিলৈ পুৱা সকলো আমাৰ ঘৰতে গোট খোৱা হ'ব। দাকোৰ সকলোৱে আনিব লাগিব। এটা কথা মনত ৰাখিবা - ঘৰেপতি এজনহ'লেও মুনিহ আহিব লাগিব। বেলি এপৰলৈকে ঘুমটি নভঙাকেইটাকো কবা ৰাইজৰ কামত গহৰি কৰিলে কিন্তু উচিত দণ্ড দিয়া হ'ব।"

জলপান আৰু তামোল-চালি খাই ৰাইজ ঘৰাঘৰি যোৱাৰ পিছতহে গাঁওবুঢ়াই চৰাঘৰৰ এচুকত ছোৱালীগৰাকীক দেখা পালে।

"আই। চম্পাৰ ওছৰলৈ আহিছিলা হবলা? তাই মাৰৰ ঘৰতে আছে। পিছে তুমি কাৰ ঘৰৰ মই ধৰিবহে পৰা নাই।"

"মই আপোনাৰ ওচৰলৈহে আহিছিলো। কাইলৈ আপোনালোকে গাঁৱৰ বৰ পুখুৰীটো পৰিষ্কাৰ কৰিব বুলি শুনিছো।"

"এৰা আই। দল ঘাঁহেৰে ৰজাদিনীয়া পুখুৰীটো চানি পৰিছে। গাঁৱৰ মানুহখিনিয়ে পানী এটুপিৰ বাবে হাঁহাকাৰ কৰিছে। নিকা কৰিলে পানীৰ অভাৱ কমিব। এইটো নাগপোতা পুখুৰী। চ'ত মাহতো পানী থাকে।"

"সেই পুখুৰীৰ পাৰতে মোৰ বাবে জুপুৰী এটি সাজি দিব পাৰিবনে? মই তাতে থাকিব খুজিছো।"

"কিয় তোমাৰ পৰিয়ালৰ আন মানুহ....." কথাষাৰ কব খুজিও জিভা সংযত কৰিলে তেওঁ। গাঁওবুঢ়া গুণেশ্বৰ বৰুৱা বৰ দূৰদৰ্শী মানুহ। কথাৰ আগগুৰি নজনাকৈ মুখ নেমেলে। কিছুদিন আগতে মাউৰে অঞ্চলটো বেয়াকৈ চেলেকি গ'ল। কোনোবা গাঁও একেবাৰে উচ্ছন্ন হ'ল। মৃত মানুহক খৰি দিবলৈও কোনো গাঁৱত মানুহ নোহোৱা হ'ল। দুই এখন গাঁৱৰ মানুহবোৰে মাউৰ লগাৰ পাছতে ঘৰবাৰী এৰি দূৰণি ঠাইলৈ গুছি গ'ল। কিছুমানে আকৌ গহীন হাবিৰ মাজত লুকাই আছেগৈ। প্ৰাণৰ তাৰণাত দিহিঙে দিপাঙে কোন কলৈ গ'ল তাৰো ঠিকনা নাই। ম হামাৰীৰ পিছত জনসংখ্যা আধালৈ কমিল। নিশ্চয় এই ছোৱালীজনী এনে উদ্বাস্তু ঘৰৰে হ'ব। পৰিয়ালৰ কোনোবা বাচি আছে যদি এদিনবিচাৰি উলিয়াবহি বুলিয়েই ছাগে সুকীয়াকৈ ঘৰ এখন বিচাৰিছে।

"হ'ব আই। সেই এৰাবাৰী। দুই এজোপা কল আছে যদিও আপদাল নাপাই বনৰীয়া হৈছে। তোমাৰ ঘৰটোৰ বাবে আমাৰ ঘৰত ইকৰা, শনখেৰ, বাৰীতো ভলুকা, জাতি বাঁহ আছেই। তোমাক পিছে কোঠালী কেইটা লাগিব?"

"এটা কোঠা হ'লেই হ'ব। তাতশালখন পাতিব পৰাকৈ আগফালৰ পিৰালীত চালি এখন লাগিব মাত্ৰ।"

"কেলৈ ভাত ৰান্ধিবলৈ চালি এখন নালাগিব জানো?" মৰমেৰে হাঁহি মাৰি গাঁওবুঢ়াই সুধিলে।

"লাগিব। নহ'লে পুখুৰীৰ পানী খাইহে থাকিব লাগিব।"

মিচিকিয়া হাঁহিত মুখখন উজ্জ্বল হৈ পৰিল। তেতিয়াহে গাঁওবুঢ়াই ছোৱালীজনীৰ মুখলৈ চালে। কলডিলীয়া মুখ, তিলফুলহেন নাক, ভ্ৰমণৰৰ দৰে ক'লাদুটি চকু, গলধনত পৰি থকা ডাঙৰ খোপাৰে এগৰাকী লাৱন্যয়ী যুৱতী। "আঐ দেহী! কাৰ কন্যা কেনেদৰে আজি তেওঁৰ ঘৰলৈ আহিব লগা হ'ল? মোৰ নুমলীয়া ছোৱালী চম্পাৰ বয়সৰে হ'ব এওঁ।" গভীৰ বাৎসল্যবোধে তেওঁৰ অন্তৰখন ভৰাই তুলিলে।

"আই! তোমাৰ নামটোকেজনা নাইনহয়?" এমোকোৰা

হাঁহিত মুখখন আকৌ পোহৰ হৈ পৰিল। "মোক সকলোৱে বেলেগ বেলেগ নামেৰে মাতে। আপোনালোকে কল্যাণী বুলিয়েই মাতিব।"

কল্যাণীক ভিতৰলৈ নি চম্পাৰ মাকৰ হাতত গতাই দিলে। গাঁওবুঢ়ানী আচৰিত নহ'ল। এয়া নতুন কথা নহয়। গিৰিহ'তৰ কোমল অন্তৰ। দুখীয়া-নিচলা, আতুৰত পৰি আশ্ৰয় বিচৰা মানুহ বিমুখ নহয়। সকলোৰে কিবা এটা সংস্থাপন কৰি দিয়ে। তেওঁৰ চিন্তা বেলেগ এটা কথাতহে। কালিলৈ আশীসূতাৰ চাদৰৰ তাতবাতি কৰা কথা আছিল। নহ'লে ইয়াৰ পিছদিনা শহুৰৰ মৃত্যুৰ বাৰ, তাৰ পিছদিনা আকৌ শণিবাৰ বাবে তাঁত-বাতি নকৰে। কাইলৈ বৰ পুখুৰী চফা কৰিলে জা-জলপান ভালেখিনি যোগাৰ দিব লাগিব। গোটেইখিনি চম্ভালিব পাৰিবনে? আচৰিতভাৱে একো নোকোৱাকৈয়ে কল্যাণীয়ে তেঁওৰ মনৰ ভাৱখিনি পঢ়ি পেলাই ক'লে।

"চিন্তা নকৰিব। মই বাতি-কঢ়াত লাগি দিব পাৰিম। ৰাইজৰ বাবে পানীটুপি বৰ জৰুৰী আই।"

হৈ-ধ্বনি কৰি পিছদিনা পুৰা ৰাইজ পুখুৰীত নামিল। আবেলিলৈ বৰ পুখুৰী পৰিষ্কাৰ হোৱাৰ লগতে গৰাকেইটা ওখ কৰা হ'ল। পাৰতে লাগি থকা বাৰীখনত কল্যাণীৰ সৰু ঘৰটোও সজা হ'ল। অৱশ্যে গোবৰ আৰু আলতীয়া মাটি গাঁটত কেইদিন ৰাখি খচিলৈ বেৰবোৰ লিপামচা কৰিব লাগিব। চৌহদত জেওৰা দিবও লাগিব। ঘৰ এখন পাতিবলৈ কমবোৰ বস্তু লাগিবনে? সকলোখিনি ঠিকঠাক নোহোৱালৈকে কল্যাণী গাঁওবুঢ়াৰ ঘৰতে থাকিব। ৰাতিৰ ভাতমুঠি খোৱাৰ পিছত গাঁওবুঢ়ানী সুমলা তামোলৰ বটাটো লৈ গিৰিহতৰ ওচৰত খন্তেক বহিল। চম্পা আৰু বৰ বোৱাৰীয়ে আখল সামৰিব। দিনটোৰ লেখজোখ নোহোৱা কামৰ মাজত দুষাৰ কথা পতাৰ সময়েই নাপায়।

"হেৰা পুতুলৰ মাক! এই নতুন আইজনীক তেঁও ক'ৰ পৰা আহিছে, ঘৰত কোন আছে এইবোৰ কথা নুসুধিবলৈ চম্পা আৰু বোৱাৰীক কৈছানে? দেশৰ এই অৱস্থাত কোন কলৈ গৈছে ঠিক নাই। এইবোৰ কথাই মনৰ যাতনা বঢ়াবহে। সময়ত নিজেই কব।"

"কৈছো। সিহঁতে আনকো ক'ব। আমাৰ আলহী কামত বৰ খৰ। আজিৰ তাঁতখন বাতি-কাঢ়িব, তুলি ভাটিবেলালৈ শালত তৰিলে। ইমান খৰকৈ কামবোৰ কৰিলে আমি বিচূৰ্তি খালো। এনে কাজী ছোৱালী কস্মিনকালেও দেখা নাছিলো পাই। সাইলাখ বিহকৰমী। ডাঙৰ বাইদেউ ঢুকুৱাৰ পিছত তেওঁৰ শালখন ভৰালৰ গাঁধৈত ওলোমাই থোৱা আছে। ছোৱালীকনে বৰ হেঁপাহেৰে চাইছিল, দিয়েই দিওঁনেকি? এনেইহে আছে। আপুনি কি কয়?" "যি দিব খুজিছা দিবা। ঘৰটো সাজু হ'লে চৰু- হাড়ীৰ পৰা বিচনা-পত্ৰ, ইটো-সিটো এখন ঘৰত কম বস্তু লাগিবনে? সৰু ছোৱালী দেহি! ভৰা ঘৰৰ পৰাই আহিছে ছাগৈ। শিপিনী বাবে অন্য কথা নাভাবি তাঁতশাল খনৰ কথাহে চিন্তিছে। কিন্তু আমিতো ভাবিবই লাগিব।"

"তেওঁক আমাৰঘৰলৈকে যিহেতু ভগৱান বিযুওৱে পঠাইছে যেতিয়া সকলোখিনি নিজৰ বুলি আমিয়েই কৰিব লাগিব।"

"এৰা আমাৰ যি আছে প্ৰভুৱে দিয়া, তেওঁৱেই আমাৰ হাতেৰে আনদুজনকো দিয়াইছে। সকলো তেওঁৰে কৃপা। আমি নিমিত্ত মাত্ৰহে।"

কিছু দিনৰ পিছত সেইফালে যাওঁতে গাঁওবুঢ়া গুণেশ্বৰ বৰুৱাই কল্যাণীৰ ঘৰ সোমাই বিচূৰ্তি খালে। দুমাহতে বাৰীখন জিলিকি উঠিছে। নঙলামুখতে দুজোপা ফুল জকমকাই ফুলি আছে। চোতালবাৰী ফু মাৰি ভাত খাব পৰা। বাৰীত নতুন ঠোক মেলা কল দুজোপাও দেখিলে। জাতি লাউ এজোপা লহপহকৈ বাঢ়ি কলি পেলাইছে। লখিমী পৰশত এৰা পৰলীয়া বাৰীখন যেন সাৰ পাইহে উঠিছে। কল্যাণীয়ে খিটিক কৈ তাঁত বৈ আছিল। তেওঁক দেখি উঠি আহি বহিবলৈ চৰাখন দিলে।



"দেউতা কি সকামত বা আহিলে?"

"মই গাঁৱৰে দীন'হঁতৰ ঘৰলৈ গৈছিলো। বোলো তোমাৰ খা-খবৰ এটা লৈ যাওঁ। আই! তুমি বৰ লখিমী। এইকেদিনতে বাৰীখন সলনি কৰি পেলালা। নঙলামুখৰ গোসানীফুল দুজুপিৰ সঁচ ক'ত পালানো?"

"আপোনালোকে ৰক্তজৱাক গোসানী ফুল বুলি কয়নেকি? মই এই ফুল বৰ ভাল পাওঁ বাবে ঠানিদুটা লগতে আনিছিলা।"

"আই। তোমাৰ চাউলপাত আছেনে? সিদিনা পুতুলৰ হাতত দি পঠাওতে তুমি হেনো ঘূৰাই দিলা। ভগৱানৰ কৃপাত ধান-চাউল, খোৰাতেল, তৰি-তৰকাৰিৰ আভাৱ নাই। মাত্ৰ লোনৰহে অকনমান নাটনি এইবাৰ। মাউৰৰ বাবে লোন আনিবলৈ মহঙলৈ গাঁৱৰ ডেকাকেইটা যাব নোৱাৰিলে। কিবা দৰকাৰ হ'লে অকনো সংকোচ নকৰিবা আই।"

"এজনী মানুহক কিমাননো চাউল লাগিব দেউতা? লাগিলে কম বাৰু। দেউতা কালিলৈ চম্পাক এবাৰ আহিবলৈ কবচোন।" তামোল-চালি খাই তেওঁ বিদায় ললে। উভতি যাওঁতে ভাবিলে কল্যাণীয়ে দেউতা বোলা মাতষাৰ শুনিলে তেওঁ দেখোন বুজাব নোৱাৰা সুখ অনুভৱ কৰে।

দিন যোৱাৰ লগে লগে মাৰি-মৰকবোৰ শাম কটাত অঞ্চলটোৰ পৰিবেশ স্বাভাৱিক হ'ল। গাঁওবোৰলৈ ভাগিযোৱা কিছু মানুহ আহিল যদিও দূৰলৈ যোৱাবোৰে নতুন মাটি ভাঙি তাতে বসতি কৰি পুৰণি গাঁও তেজিল। গুণেশ্বৰ বৰুৱাই আলেঙে আলেঙে কল্যাণীৰ পৰিয়ালৰ খবৰ কৰিছিল যদিও একো সম্ভেদ নাপালে। এই গাঁৱলৈ আহিল যেতিয়া গাঁওবুঢ়া হিচাপে দায়িত্ব তেওঁৰে। এইবাৰ পথাৰত শইচ উপচি পৰিছে। হওক আই লখিমীয়ে নিজৰ বুলি ভাবিছে। মাঘৰ বিহুটোও ৰাইজে ধুমধামেৰে পালিলে।

সেঁউতি আৰু তগৰে চম্পাক কুটুৰি আছিল সিহঁত দুজনীৰ লগত কল্যাণীৰ ওছৰলৈ যাবলৈ। কল্যাণীৰ কাপোৰৰ ফুলজালিবোৰ সুকীয়া, বৰ ধুনীয়া। সেইখন চানেকি পালে সিহঁতেও নিজৰ ৰিহা-মেখেলাত নতুন ফুল বাচিব পাৰিব। চম্পাই বোলে - 'তোমালোক অকলেই যাব পাৰাচোন। মোৰো শালৰ চাদৰজুটি সোনকালে কাটি চতৰ বিহুৰ গামোছা লগাব লাগে।' আচলতে সিহঁতৰ ইতস্থতঃৰ কাৰণ বেলেগ। গাঁৱত তোমা-তুমি বুলি সিহঁতে কাকো সম্বন্ধ নধৰেই। তই আৰু আপুনি সম্বোধনেই বেচিকৈ প্ৰচলিত। চম্পাহঁতৰ ঘৰৰ কথা সুকীয়া । সেইখন ঘৰত

ডাঙৰক আপুনি, সৰুক তুমি বুলি মতা হয়। গাঁওবুঢ়া দদাইদেৱে কোনো ছোৱালীক তই বুলি মতা সিহঁতে আজিলৈকে শুনা নাই। সেই সংস্কাৰ ল'ৰা-ছোৱালীয়েও পাইছে। কল্যাণীৰ লগত সেউতিহঁত এতিয়াও সিমান সহজ হ'ব পৰা নাই। কল্যাণীক আন ছোৱালীৰ দৰে তই বুলি মাতিবলৈ সংকোচ লাগে আনহাতে সমনীয়া ছোৱালী বাবে আপুনি বুলিবও নোৱাৰে। চম্পা গ'লে সিহঁতৰ কামটো সহজ হ'ব।

সিহঁতক দেখি হাঁহিমুখেৰে কল্যাণী তাঁতশালৰ পৰা উঠি আহিল। শালত লগাইথোৱা কাপোৰত বচা ফুল দেখি সিহত বৰ আনন্দিত হ'ল। "ফুলৰ চানেকি বিচাৰি আহিলা হবলা? মোৰ ৰিহা-মেখেলাবোৰ চাই কি ফুল লাগে পচন্দ কৰি লোৱা।" কল্যাণীৰ ছাতে শুকুৱা মুঠিতে লুকুৱা কাপোৰবোৰ দেখি তিনিওজনী অবাক হ'ল। মুগা, পাট, কপাহী কাপোৰৰ ৰঙেই চাবানে ফুলজালিৰ নক্সাই চাবা? ৰঙা কিংখাপৰ গুণাৰ কাপোৰযোৰ পিটিকি চাই তগৰে সুধিলে - "এইযোৰো তুমিয়ে বোৱানে? আমাক বৌটিহ'তে ৰঙা ৰিহা-মেখেলা পিন্ধিব নিদিয়ে। গোসানীয়ে ৰঙা সাজ পিন্ধেযে। নৰমনিচে পিন্ধিলে আইৰ দোষ লাগিব হেনো। তুমি পিন্ধানেকি?"উত্তৰ নিদি সিহঁত কেইজনীক পকা কলদুটামান খাবলৈ দি কল্যাণীয়ে কলে- "জা-জলপান শেষ হ'ল, ইয়াকে খোৱা। পিছে মই মনৰ পৰাহে ফুল বাচো। চানেকি নায়েই। তোমালোকে একোচাকৈ মিহি কাঠী দি যাবা। মোৰ শালৰ কাপোৰ কাটিবৰে হৈছে। কটাৰআগতে তোমালোকৰ পচন্দৰ চাৰিটামান ফুলৰ চানেকি বৈ দিম বাৰু।"

"ইমান ভাল ছোৱালী নহয় চম্পা? বহুতে চানেকি খন দিবলৈকে নোখোজে।"

"কল্যাণীলৈ তোমালোকে এনেই সংকোচ কৰা। এইবাৰ নিজেই আহিবা। ফুলৰ চানেকি মোকো দিবা কিন্তু।"

গৰুবিহুৰ দিনা সাঁজ লগাৰ পৰা মাজৰাতিলৈ গাঁওবুঢ়াৰ ঘৰলৈ ইদলৰ পিছত সিদল হুচৰি আহে। তামোল-পাণ, মাননী, বিহুৰ পিঠাপনা, জলপান আদিৰ বাবে ঘৰে-ঘৰোৱাহে ব্যস্ত থাকে শেষ নিশাহে শুবলৈ গ'ল তেওঁলোক। হঠাৎ হুলস্থুল শুনি গাঁওবুঢ়া পাটিৰ পৰা ধৰমৰকৈ উঠি আহি দেখে দুটা অচিনাকি ডেকা কপি থিয় হৈ আছে।

"খালে। খালে। ছোৱালীজনীক খাই পেলালে।"

গাঁও বুঢ়াই সিহঁতৰ কথাৰ তত্‌মত একো বুজি নাপালে। কাক কোনে খালে? চম্পা ৰাতিবিহুলৈ গৈছিল। তাইৰ কিবা অঘটন হ'লনেকি? চিঞৰৰ বাখৰ শুনি ঘৰৰ আন মানুহৰ লগতে চম্পাও উঠি আহিল। ওচৰ চুবুৰীয়াও দুজনমান গোট খালে। পানী দুঘটি খাই সিহঁতৰ মাত ওলাল।

"ডাঙৰ ঢেকীয়াপতীয়া বাঘ। ছোৱালীজনীক খাই দুৱাৰমুখত বহি আছে। বোপাই ঔ! কি প্ৰকাণ্ড বাঘ। বৰ পুখুৰীৰ পাৰত যে থাকে ছোৱালীজনী।" সকলো হতভম্ব হ'ল। মাইকী মানুহকেজনীয়ে হায়ে বিয়ে লগালে। কল্যাণীৰ কি হ'ল?

"ৰবাচোন। বিহুৰ দিন। ইমান মানুহ আহিছে গৈছে। হুছৰিয়েই পোন্ধৰ যোৱামান সেইফালে গৈছে। কোনেওতো একো দেখা নাই। ঢোল-পেপাৰ গুমগুমনীত বাঘ মানুহৰ ঘৰত বহি থাকিবনে? আৰু তোমালোকতো আমাৰ গাঁৱৰ নহয়? কোন তোমালোক আৰু ইমান ৰাতি কি উদ্দেশ্য লৈ সেইঘৰলৈ গৈছিলা?"

গাঁওবুঢ়াৰ কথাত জোলোঙাৰ মেকুৰী ওলাল। সিহঁত দুটা দূৰৰ গাঁৱৰ চোৰ। অহুকাণে-পহুকাণে শুনিলে পুখুৰী পাৰৰ ছোৱালীজনীৰ ঘৰত বহুত ধুনীয়া ধুনীয়া কাপোৰ আছে। বিহুৰ বতৰতে চুৰ কৰিবলৈ আহি জোনাকৰ ফটফটিয়া পোহৰত ছোৱালীজনীৰ ঘৰৰ পিৰালীত বাঘ দেখি থৰ কাচুটি হেৰুৱাই গাঁওবুঢ়াৰ ঘৰ পাইছেহি।

পুতুলে ক'লে = "এহ! কল্যাণীৰ পিৰালীত গৰু নে কিবা এটা শুই থকা বহুতে দেখিছে।

ইহঁত তেও গৰু-চৰু কিবা দেখিছে ছাগে।"

"গৰুৱেই হওক বা বাঘেই হওক তহঁত চুৰ কৰিবলৈ আহিছিলি কিয়? অকলশৰীয়া ছোৱালীজনীয়ে আমাৰ গাওঁত আশ্ৰয় লৈছে। তাইৰে ঘৰত চুৰ কৰিবলৈ আহিছ? তহঁতৰ ইমান সাহ?"

লপা-থপা দি খুটাত দুয়োকে বান্ধি দা, যাঠি লৈ সকলো বৰপুখুৰীৰ পাৰলৈ ওলাল। পূৱে ধলফাট দিছিলেই। গৈ দেখে সদ্যস্নাতা কল্যাণীয়ে পুখুৰীৰ পৰা পানী আনিছে। কলাফুললৈকে বৈ পৰা চুলিৰ পৰা টোপ টোপ কৈ পানী পৰিছে। সূৰ্যৰ কিৰণ মুখত পৰা কল্যাণীৰ অবৰ্ণনীয় জ্যোতিয়ে যেন চৌপাশ পোহৰাই তুলিছে। সেই মুহূৰ্তত সকলোৰে এনে লাগিল বৰ পুখুৰীৰ পাৰত সেয়া কল্যাণী নহয় সূৰ্য্যহে উদয় হৈছে।

দুমাহমানৰ কথা। গাঁওবুঢ়াই চিন্তিত মনেৰে বহি আছে। ৰাজধানীৰ পৰা বতৰা আহিছে ৰজা এইফালে চফৰত আহিব। ঠায়ে ঠায়ে ৰজাবাহৰ পাতিব। ৰজা-বাহৰত বিভিন্ন বস্তুৰ যোগান ওছৰ-চুবুৰীয়া গাঁওসমূহেই দিয়া নিয়ম। ভগৱানৰ কৃপাত এইবাৰ ৰাইজৰ খেতি নদন বদন হৈছে। ৰছদ-পাতি দিব পৰা হ'ব। তেঁওৰ

চিন্তা অন্য কথাতহে। মনোৰঞ্জনৰ বাবে ৰজাই মৃগয়ালৈ এই গাঁৱৰ মাজেৰেই যাব। সকলো সন্তুস্ত হৈ থাকিব লাগিব যাতে ৰজাঘৰীয়াৰ একো জগৰ নালাগে। জীয়ৰী বোৱাৰীকো পৰাপক্ষত চিপাহী চন্তৰীৰ চকুৰ পৰা আবুৰত ৰাখিব লাগিব। নামঘৰত সকলোবোৰ আলচ কৰি তেওঁ দিহা পৰামৰ্শ দিলে।

ৰজাঘৰৰ ৰং ৰহইচ আৰু প্ৰজাঘৰৰ খোজপতি ভয়, আশংকাৰ মাজেৰে সপ্তাহটো পাৰ হ'ল। আজি আবেলি ৰজা মৃগয়াৰ পৰা ঘূৰি আহিয়েই ৰাজধানীলৈ যাত্ৰা কৰিব। খবৰটো শুনি সকলোৱে স্বাস্তিৰ নিশ্বাস পেলালে। সাধাৰণ পৰজাৰ বাবে ৰজা আকাশৰ জোন। ওচৰ চাপিবলৈ ভয় কৰে বৰং নিলগৰ পৰাই ভাল পাব, সেৱা এটি কৰিব। গাঁওবুঢ়াৰ মনটো কিবা এটা আশংকাত কপি আছে- 'নাও উঠোতে বুৰে, নামোতে বুৰে'। ৰজাৰ চফৰৰ শেষ দিনটোত কিবা বিপদ নঘটেতো? 'সকলোকে কুশলে ৰাখিবা প্ৰভু' বুলি তেঁও ভগৱানৰ ওচৰত মিনতি জনালে।

গাঁওৰ মাজেৰে ৰজা উভতিল। লগত দুজনমান চন্তৰী। হঠাৎ বৰ পুখুৰীৰ পাৰৰ ফলেফুলে জাতিস্কাৰ বাৰীখন দেখি তেওঁ খন্তেক ৰ'ল। পৰিপাটি বাৰীখনৰ পৰা দৃষ্টি বাগৰি তাঁতশালত একান্তমনে ফু ল বাচি থকা কল্যাণীৰ মুখত স্থিৰ হ'ল। কোন এই অপৰূপা? মন্ত্ৰমুগ্ধৰ দৰে ৰজা আগবাঢ়িল।

"সুন্দৰী কোন তুমি?" তাঁতত তলমূৰকৈ ফুল বচাত ব্যস্ত কল্যাণী চক খাই থিয় দিলে। "মই কল্যাণী। বৰ্তমান এই ঠাইতে আছো।"

যুৱতীৰ ভীতিহীন মুখ, স্পষ্ট উত্তৰে ৰজাক আপ্লুত কৰিলে। যুৱতী তাৰমানে কেৱল ৰূপেই নহয় ব্যক্তিত্বৰো অধিকাৰিণী। তেন্তে সৌন্দৰ্যৰ এই প্ৰতিমা এক অখ্যাত গাঁৱত কিয় থাকিব? ৰাজ কাৰেঙত তেওঁৰ ৰাণী হৈ থকাহে উচিত। এই মনোভাব ব্যক্ত কৰাৰ লগে লগে যুৱতীৰ মুখ আৰক্তিম হ'ল ক্ৰোধত। কিন্তু বুদ্ধিভ্ৰষ্ট ৰজাই তালৈ ভ্ৰুক্ষেপ কৰিলেহে? কল্যাণীক কৰায়ত্ব কৰিবলৈ আগবাঢ়োতেই ৰজাৰ মনোভাব বুজি তেওঁ বিজুলীবেগেৰে সেই ঠাই পৰিত্যাগ কৰিলে। বাঘে হৰিণী খেদাৰ দৰে ৰজাইও তেওঁৰ পাছ ল'লে । দৌৰি দৌৰি কৰবী খোল খাই কল্যাণীৰ কেশদাম উন্মুক্ত হৈ পৰিল। এটা সময়ত তেওঁ থমকি ৰৈ ভৰিৰ গোৰোহাৰে ভূমিত জোৰেৰে আঘাত কৰিলে। সেই ঠাইতে এটা প্ৰকাণ্ড গহ্বৰৰ সৃষ্টি হ'ল আৰু সেই গহ্বৰৰ মাজত তেওঁ অদৃশ্য হৈ পৰিল। থাপ মাৰি ধৰিব খোজাতে হাতত ৰৈ যোৱা যুৱতীৰ আজানুলম্বিত কেশৰ একাংশ চাই চাই হতভম্ব হ'ল ৰজা আৰিমত্ত। গহ্বৰৰ মাজৰ পৰা ধ্বনিত হ'ল "মূৰ্খ। মোক নিচিনিলি? মানুহৰ ৰূপত মানুহৰ মাজত থাকি মই মানুহৰে কল্যাণ সাধিবলৈ আহিছিলো। মই কল্যাণী-কল্যাণময়ী।"

(গল্পৰ অন্তৰালৰ কাহিনী ঃ বিশ্বনাথ জিলাৰ বৰঙাবাৰী অঞ্চলৰ কলংপুৰ মৌজাৰ কল্যাণী দেৱীৰ দেৱালয় অতি জাগ্ৰত। পুৰণিকালৰে পৰা ইয়াত বলি বিধানেৰে শক্তি পূজা চলি আহিছে। প্ৰবাদ আছে যে কল্যাণীদেৱীয়ে আৰিমত্ত ৰজাৰ পৰা ৰক্ষা পাবলৈ গোৰোহাৰে মাটিত এটা গহ্বৰৰ সৃষ্টি কৰি ভূগৰ্ভত অন্তৰ্ধান হৈছিল । দেৱীক ধৰিব খোজোতে তেওঁৰ কেশৰ কিছু অংশ ৰজাৰ হাতত ৰৈ গ'ল। ৰজাই দেৱীৰ মাহাত্ম্য বুজি সেই কেশ থাপনাত ৰাখি স্বৰ্ণালংকাৰেৰে শোভিতা দেৱী মূৰ্তি ৰে দেৱালয় প্ৰতিস্থা কৰিলে। যি ঠাইত গহ্বৰৰ সৃষ্টি হ'ল সেই ঠাইতো অনুৰূপ দেৱী মঠ সজাই পূজা অৰ্চনাৰ ব্যৱস্থা কৰিলে। কালক্ৰমত মানুহৰ মুখত পৰি গহ্বৰ গুছি গম্ভৰ হ'ল। কুৰি শতিকাৰ আৰম্ভণীতে ব্ৰহ্মপুত্ৰৰ খহনীয়াত পূৰ্বৰ গম্ভৰ নিচিহ্ন হ'ল। তাৰে কিছু বিগ্ৰহ উদ্ধাৰ কৰি দিপৰা পুখুৰীৰ পাৰত মন্দিৰ স্থাপন কৰা হ'ল। কিলাই মৰা পুখুৰীৰ পাৰত থকা আনখন দেৱালয় লুইতৰ পৰা বাছিল যদিও মানুহৰ কবলৰ পৰা দেৱীমূৰ্তি সাৰি নগ'ল। গাঁৱৰ বৃদ্ধসকল মুখত শুনিছিলোযে দেৱীবিৰোধী কেইজনমান মানুহে বিগ্ৰহ ভাঙি তাৰ সোণৰ অলংকাৰ সমূহ লুণ্ঠন কৰিলে। কিন্তু সেই সোণ ভোগ কৰিব নোৱাৰিলে। সোণাৰী, দুষ্কৃতিকাৰী তেজবমি হৈ ঠাইতে মৃত্যু হ'ল। দুজনমানৰ মগজুৰ বিকাৰ ঘটি মৃত্যু ঘটিলে। প্ৰতিদিনে অসংখ্য লোকে দেৱালয় দৰ্শন কৰি পূজা আগবঢ়ায়। অতীজৰে পৰা ইয়াত শাৰদীয় দুৰ্গা পূজা অতি ধুমধামেৰে পালন কৰা হয়। দেৱীৰ বিষয়ে প্ৰচলিত জনশ্ৰুতিৰ আধাৰতে এই কিঞ্চিত প্ৰচেষ্টা।)

# এমুঠি গল্প

✍ অভিজিত দত্ত
সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

**বিৱৰ্তন - - -**

নমস্কাৰ, মোক আপোনালোকে ভালদৰেই চিনি পায়। মই অহা বৰ বেছি দিন হোৱা নাই । এই ধৰক আজি পোন্ধৰ বছৰ মান আগৰ পৰা মই আপোনালোকৰ লগত আছো ।প্ৰথম অৱস্থাত মোক বৰ গুৰুত্ব দিয়া নাছিল । কেতিয়াবা মাত্ৰ দৰকাৰ হলে মোক টোপনিৰ পৰা জগাই মোক ব্যৱহাৰ কৰিছিল । কাৰোবাক কিবা এটা বাৰ্তা প্ৰদান কৰাই আছিল মোৰ আৰু মোৰ সমগোত্ৰীয় সকলৰ প্ৰধান দায়িত্ব । মাজে মাজে সাপ এডাল দীঘল হোৱা খেল এখনো খেলিছিল মোক সাৰথি কৰি । বৰ একঘেয়ামী জীৱন আছিল আমাৰ সকলোৰে বাবে । আপোনালোকৰ জীৱন শৈলীত আমি জ্বলি পুৰি মৰিছিলো । কেনে বেদনাদায়ক আছিল আমাৰ জীৱনবোৰ। এবাৰ ভাবকচোন । আমাক আপোনালোকৰ ডিঙি, পকেট অথবা ককালত এৰাল লগাই থোৱা দিনবোৰত আমি মাত্ৰ এটা কথা ভাবি সান্তনা লাভ কৰিছিলো । প্ৰেমৰ পৰিসীমাৰ ভিতৰতেই আমাৰ ভাললগা দিনবোৰ আছিল মাথো । কাৰণ প্ৰেমত পৰা নৰ - নাৰীসকলৰ বাবেহে আমি অধিক আৱশ্যকীয় আছিলো ।

পিছে আপোনালোকে আপোনালোকৰ ক্ষেত্ৰত কোৱাৰ দৰেই আমাৰো দিনবোৰ সমানে নাযায় । আজি দহবছৰ মান আগতে আমাৰ জন্মদাতাই আমাৰ দেহটোত মানে দেহৰ প্ৰক্ৰিয়াটোত বেছ সাল-সলনি ঘটিলে । আমি আপোনালোকক প্ৰায় সকলোখিনিয়েই দিবলৈ সক্ষম হলো । আপোনাক গান শুনোৱাৰ পৰা ফটো উঠোৱালৈ ডাৰৰ বাতৰি ডাৰে দিয়াৰ পৰা টেলিভিছ্নৰ ধাৰাবাহিক দেখুৱালৈ, সমাজ জীৱনৰ উপাদানৰ পৰা অৰ্থনৈতিক ক্ষেত্ৰৰ সমালোচনালৈ অথবা প্ৰেমৰ পৰা বিবাহলৈ আদি বিভিন্ন বিষয়ৰ ওপৰত আপোনালোকৰ পণ্ডিতালি জাহিৰ কৰালৈ আমি সহচৰ হৈ পৰিলো ।

**আৰু তেতিয়াই আৰম্ভ হল বিৱৰ্তনৰ খেল ।**

আমি শক্তিশালী হলো। আপোনালোক অকলশৰীয়া হল। তেজ খোৱা বাদুলীটোতকৈও আমি ভয়াবহ হৈ পৰিলো। আপোনালোকৰ সম্পৰ্ক, সৃষ্টিশীলতা, প্ৰাকৃতিক আৱেগ কথাবোৰ ফুটুকাৰ ফেন হ'ল ।

আজি আমি আপোনালোকৰ আগত কৃতজ্ঞ । আপোনালোকৰ সতি -সন্ততি , বন্ধু বৰ্গ অথবা আত্মীয় - কুটুম্বৰ আগত আমাৰ স্থান আপোনালোকে নিৰ্ধাৰণ কৰিলে । গল্প - কবিতা বা উপন্যাস লিখিবলৈ আমি আহিলা হলো । আপোনালোকৰ হৃদয়ত কথা আমাৰ দেহত প্ৰোথিত হল।

আপোনালোক সকলোলৈকে আমি কৃতজ্ঞতা প্ৰকাশ কৰিলো । যদি ঈশ্বৰ সুপ্ৰসন্ন হৈ থাকে আমি অচিৰেই আপোনাসৱক সম্পূৰ্ণ ৰূপে ধ্বংস কৰাৰ আশাৰে আজিলৈ এই আত্মকথা সামৰণি মাৰি আন কৰ্মত লিপ্ত হবলৈ আগবাঢ়িলো ।

**পুনৰ নমস্কাৰ**

**মোক আপোনালোকে ভালদৰেই চিনি পায় ।**

যদি এতিয়াও চিনিবলৈ অসুবিধা হৈছে, আপোনালোক আপোনালোকৰ হাতৰ মুঠিলৈ চাওক। মোৰ সমগোত্ৰীয় এজন নিশ্চয় এতিয়াও আপোনালোকৰ সেৱাত অহৰ্নিশে কৰ্মৰত হৈ আছে।

**হয়, ঠিক ধৰিছে ।**

**মই আপোনাৰ মবাইল ফোনটো ।**

**সাধু এটাৰ দুখ —**

সাধু এটাই বাটটোৰে ইফালে সিফালে ঘূৰি আছিল । আজিকালি তাৰ গুৰুত্ব নোহোৱা হ'ল । সিহতবোৰে দিনটো সেইসোপা চায়েই বহি থাকে । ঘৰৰ ডাঙৰসোপাৰো সময়ৰ অভাৱ । তাক মানে সাধুটোক এবাৰ যদি ডাঙৰ কেইটাই সাৰটি ল'লেহেতেন ! পিতকলি কেইটাইও তাক আদৰ কৰিলেহেতেন



। ইতিমধ্যে তাৰ লগৰ বহু সাধুকথাই অনিদ্ৰা - অনাহাৰত প্ৰাণ ত্যাগ কৰিছে । এসময়ত সি বেছ জনপ্ৰিয় আছিল বুলিহে সি তাৰ গৌৰৱময় অতীতৰ স্মৃতি ৰোমন্থন কৰি কোনোমতে জীয়াই আছে । সময় তেতিয়া সন্ধিয়া । সাধুটোৱে চুচুক - চামাককৈ এঘৰত সোমাল । আইতাই তেতিয়া অকলে জিলিকি থকাবাকচ এটালৈ একেথৰে চাই আছে । সাধুটোৱে বাকচটোলৈ এবাৰ চাইয়েই বৃদ্ধাৰ জিভাত অৱস্থান কৰিলে।

বাসন্তী বৰুৱা হঠাতে কি হ'ল জানো ? তেওঁৰ যাঠি বছৰমান আগলৈ হঠাৎ মনত পৰি গ'ল । এনেহেতেন জহকালি তেওঁক আইতাকে সাধু শুনাইছিল । চোতালত পাটি এখন পাৰি জোনাকৰ পোহৰত জিলমিল কৰি থকা জোনাকী পৰুৱাৰ খেলখন চাই বাসন্তীয়ে সাধু শুনিছিল । তেওঁ আদ্ৰিৰ কোঠালৈ জুমি চালে ।

এখোজ - দুখোজকৈ তেওঁ আগবাঢ়িল । নাতিনীয়েকক এটা সাধু শুনাবলৈ বৰ মন গ'ল তেওঁৰ ।

বাসন্তী বৰুৱাই লাহেকৈ বন্ধ দুৱাৰখনত এটা টোকৰ মাৰিলে ।

অৰ্পনাই জীয়েকক ৰাইমচ্ শিকাই আছিল । তাই হাতৰ ঘড়ীটোলৈ চাই আছে । আৰু আধা ঘন্টা মান পিছতেই অৰ্ণৱ আজৰি হব । মানুহজনে চাকৰিৰ আজি তাগিদাত ডিব্ৰুগড়ত উঠিছেগৈ । পিছে প্ৰচণ্ড কামৰ হেচাতো অৰ্পণাৰ প্ৰাক্তন প্ৰেমিক আৰু বৰ্তমানৰ স্বামী অৰ্ণৱৰ ৰোমান্টিক স্বভাৱৰ একো হীনডেঢ়ি হোৱা নাই । এতিয়াও সি সেই একে স্বভাৱৰ অৰ্ণৱ সিয়েই প্ৰস্তাৱটোদিছিল । ডিব্ৰুগড় পোৱাৰ পিছত সি তাইৰ সতে নিশা আঠ বজাত অন লাইন চ্চাটিং কৰিব । যেনেদৰে সিহতে বিয়াৰ আগতে কৰিছিল । অপৰ্ণাই প্ৰথমতে তাৰ আগত না কৰিছিল যদিও এই সময়ত তাইৰো এটা প্ৰৱল ইচ্ছা জাগিছে অৰ্ণৱৰ সতে চ্চাটিং কৰাৰ ।

সেই সময়ত দুৱাৰৰ টোকৰটো শুনি দুৱাৰ খুলিলে। অপৰ্ণা, আদ্ৰিয়ে কি কৰিছে ? বাসন্তীয়ে বোৱাৰীয়েকক

সুধিলে ।

নাই মা । পঢ়াৰ নামত ধিতিঙালি খালি তাইৰ । হাঁহি এটা মাৰি অপৰ্ণাই কলে ।

দিয়া, তুমি অলপ জিৰণি লোৱা । এনেও কলেজৰ পৰা আহিয়েই আৰু বজাৰ কৰি তুমি চাগে ভাগৰি পৰিছা ।

অপৰ্ণাই আকৌ এটা হাঁহি মাৰি আদ্ৰিক আইতাকক গতালে। লাহেকৈ দুৱাৰখনৰ খিলিলগাই তাই ঘড়ীটোলৈ চালে।

বাসন্তী বৰুৱাই আদ্ৰিক লৈ বাৰাণ্ডাত বহিল। তাইক কোলাত উঠাই লৈ তাইৰ মূৰৰ চুলিৰ মাজেৰে বোলাই বাসন্তীয়ে সুধিলে,

আদ্ৰি, সাধু এটা শুনিবা ?

আদ্ৰিৰ মুখখন উজলি উঠিলে ।

কোৱা আইতা ।

........................

**হত্যাকাৰী ---**

সি চকু পানী টুকি আছে । মৃতদেহটোৰ কাষত অলপ তেজৰ চেকুৰা । তাৰ মনত পৰিছে হত্যাকাণ্ডটোৰ আগত সি কৰা লৰা - ঢপৰাখিনি । আহ, কিমান যে দৌৰাদৌৰি কৰিছিল সি। সি পিছে পিছে । হাতত তাৰ উদ্যত মাৰণাস্ত্ৰ । এবাৰ, দুবাৰ, তিনিবাৰ --- আৰু শেষত তাৰ ব্ৰহ্মতালুত তাৰ প্ৰচণ্ড কোব । সি তথাপিও লৰৰি আছিল । তাৰ জানো কি হৈছিল ? পুনৰ আন এটা কোব মাৰিছিল । দ্বিতীয়টো কোবে তাৰ গতি স্তব্ধ কৰিছিল ।

এতিয়া সি চিৎভোলোঙা খাই পৰি আছে ।

সি কথাটো ভাবি চাবলৈ চেষ্টা কৰিলে । সি আহিছিল কেনেদৰে ? তাকেই লক্ষ্য কৰি তাৰ আয়োজনটো চলিছিল । আন কোনোবাও তাৰ চিকাৰ হৈছিল নে ? তাৰ কোনোবা লগৰীয়া বা আত্মীয়ই এই হত্যাকাণ্ডটো প্ৰত্যক্ষ কৰিছে নেকি? সিহতে যদি প্ৰতিশোধ লবলৈ ঠিক কৰিছে সি অকলে কি কৰিব ? নে সি পুলিচ বাহিনীৰ সহায় লোৱাটো উচিত হব?

হত্যাকাণ্ড সংঘটিত কৰি সি ঠিৰেৰে থাকিব পৰা নাই । পুলিচ সোপাক জনালে তাৰ যে সমস্যা হব, সেইয়াও সি অনুভৱ কৰিছে । কি কৰো, কি নকৰো ভাৱ এটি লৈ সি মৃতদেহটো কাষতেই বাগৰ দিবলৈ বুলি ওলাল ।

নাই , একেবাৰে শুব নোৱাৰি মৃতদেহটোৰ কাষত । তাৰ নিঃসাৰ দেহটোৰ মেল খোৱা চকুজুৰিয়ে তালৈ ট ট কৈ চাই আছে ।

এনে এটা পৰিবেশত কোনো মানুহেই টোপনি মাৰিব নোৱাৰে ।

লাহে লাহে পোহৰ হ'ল । সি কথাটো অলপ বুদ্ধি কৰি ডিউটিত থকা চিপাহীটোক জনাবলৈ ঠিক কৰিলে।

"চাৰ, বডি এটা পৰি আছে ইয়াত । চাওকচোন এবাৰ। কোনেবা মাৰি থৈ গ'ল?" কথাখিনি কওতে মুখত সি প্ৰশ্নবোধক চিন এটা সৃষ্টি কৰিলে ।

চন্তৰীয়ে মুৰটো দাঙি চাই একো নেদেখিলে । সি তাক সুধিলে,

"ক'ত বডি?"

সি হেহোনেহো কৰি তাৰ নেজডালত ধৰি তাৰ দেহটো তাক দেখুৱালে । চন্তৰীজনে বিষাদৰ হাঁহি এটি মাৰি আতৰি গ'ল।

সি মনতে ভাবিলে,

"ইয়াৰ মুৰৰ বিকৃতি ঘটা বুলি কিমান কলো চাৰক । চাল্লা, পাট্টাই নিদিয়ে।"

কাৰাগাৰৰ আঠ নম্বৰ চেলৰ কয়দীটোৱে মৰা নিগনিটো হাতেৰে ধৰি থাকি চন্তৰীটো যোৱাৰ ফালে চাই থাকিল ।

স্বস্তিৰ ভাৱ এটাই তাৰ মনত ক্ৰিয়া কৰিলে ।

হওক তেওঁ। এইবাৰলৈ সি সাৰিল ।

বাসন্তীয়ে কমলা কুঁৱৰীৰ সাধুটো কবলৈ আৰম্ভ কৰিলে। কমলা কুঁৱৰীৰ সাধু শুনি আদ্ৰিয়ে মনোযোগেৰে শুনি থাকিল।

বাসন্তী বৰুৱাৰ মন-প্ৰাণ ভৰি পৰিল ।

হঠাৎ আদ্ৰি আইতাকৰ কোলাৰ পৰা জপিয়াই নামিল। তাই আইতাকক কলে,

"তোমাক মই বেয়া পাইছো । টিভিত কাৰ্টুন আছিল নটাত । দৰেমন । মই মিচ কৰিলো।"

আইতাকক তাইৰ 'কাট্টি' এটা দি তাই দুপদুপাই ভিতৰলৈ লৰ মাৰিলে ।


ইমানপৰে বাসন্তী বৰুৱাৰ জিভাত স্থিতি লৈ থকা সাধুটো বিষাদ বদনে নামি আহিল ।

তাৰ চকুদুটা খচখচাই উঠিল ।

বাসন্তী বৰুৱাৰ মনটোও সেমেকি উঠিল । কিবা এক দুখ তেওঁ জাৰি - জোকাৰি আধাপঢ়া উপন্যাসখন পঢ়িবলৈ নিজৰ কোঠালৈ আগবাঢ়িল ।

# ধুমুহা

✍ শ্ৰীমতী দিপান্বীতা চাংমাই
স্নাতকোত্তৰ প্ৰথম ষাণ্মাষিক



নিজন ঘোপমৰা এক অবিস্মৰণীয় এটি দিনৰ ঘটনা। যাৰ তুলনা দিয়া সাধ্য নাই, সচাই কি কৰুণ দৃশ্য দেখিলে গা - নোম ডাল - ডালকৈ শিয়ৰি উঠে। মানুহৰ জীৱনটো যে ইমান পশুৰ দৰে থাকিব লগাত পৰে। ই ভাগ্যৰ লিখন নে কৰ্মৰ ফল তাক কোনেও সঠিক কৈ কোৱা টান। ভাগ্যৰ চাকনৈয়াই কাক, ক'ত উঠাই লৈ যাব ধাৰণা কৰিব নোৱাৰি । কৰিম বুলি কৰিবলৈ লোৱা কামবিলাকেও নহয় নকৰোঁ বুলি ভাবি থকা কাম বিলাক কৰিব লগাত পৰে তেনে এটি দাৰুণ দৃশ্যই এদিন মোৰ হৃদয়ত খুন্দা মাৰি দুচকু অশ্ৰুৰে উপচি পৰিল । মই ভাবিলো যে ভগৱানো যে ইমান নিষ্ঠুৰ। এটি নিস্পাপ শিশুক ইমান জীয়াতু যান্ত্ৰনা ভুগাইছে ? কিয় বাৰু আজি এনে কষ্ট খাইছে কি পাপৰ ফলত ইমান দুখ পাইছে মই নিজকে নিজে গভীৰ চিন্তাত পেলালো ? এক পলকত ভাবিলো এইবিলাকে নে দেখা ঈশ্বৰৰে ছলনা । আকৌ এবাৰলৈ চিন্তা কৰি চালো আমিও তাৰ দৰেই মানুহ তাৰ ঠাইত মই থকা হলেতো মোৰও তেনেদৰে থাকিবলগীয়া হ'লহেতেন । বাৰু যি কি নহওঁক এইদৰে ভাবি থাকোতে হঠ্যাৎ গোটেই গাতো ফটা - চিতা কাপোৰ ঢাক খাই ঘামে - জামে তিতি থকা শৰীৰটো, মোৰ কাষতে আহি অৱস্থিত হৈ মোৰ ওচৰতে পৰি থকা কাৰ্টুনৰ ফটা - চিতা কাগজ আৰু নানা ধৰণৰ পেলনীয়া পুৰণি বিক্ৰি কৰিব পৰা বস্তু বিলাক বুটলি আছে ইমান সুন্দৰ নিপুটল সু-স্বাস্থ্যৰ শৰীৰৰ শিশুটিক দেখি মোৰ পুটৌ লাগিল । মই ৰ'ব নোৱাৰি ওচৰলৈ মাতিলো । তাৰ নাম বিতুল শইকীয়া, বয়স অনুমানিক বাৰ - তেৰ বছৰ মান হ'ব । মই মতা শুনি সি মোৰ ওচৰলৈ আহি সুধিলে আপুনি মোক মাতিছে নেকি ? তেতিয়া মাত্ৰ মূৰ দুপীয়াই মাতিলো । মই লৰাটি দেখি মোৰ হৃদয়খন ফাটি যাওঁ যেন লাগিল, ইমান সুন্দৰ দেহাৰ গঠনৰ লগতে তাৰ কণ্ঠস্বৰ । কিয় আজি সি ইমান টেকটেকীয়া ৰ'দত এনেকুৱা লেটেৰা বস্তু বুটলি বিক্ৰী কৰিব লগীয়াত পৰিছে। কি কষ্টত পৰি এনেকুৱা হ'ল নানাকথাৰে মোৰ মনটো অস্থিৰ কৰি তুলিলে । মই মতাত সি মোৰ ওচৰলৈ আহি কলে ' কওকচোন আপুনি মোক কিয় মাতিলে? মই প্ৰথমে তাৰ নামটো সুধিলত সুন্দৰ ভাৱে নমস্কাৰ জনাই মোক ক'লে বিতুল শইকীয়া, মই আচৰিত হলো ইমান লেটেৰা কুৎচিত ধৰণৰ সাজ - পাৰ ভিতৰত ইমান ধুনীয়া নম্ৰ ব্যৱহাৰ হৃদয়খন লুকাই আছে' তাৰ পিছত মই তাৰ ঘৰ ক'ত , ঘৰত কোন কোন আছে? কি কাৰণে এনে পৰিস্থিতিত পৰিলে, সকলো বিলাক তাক একযাৰে সুধিলো । তেতিয়া সি মোক উত্তৰ দিলে আপুনিনো মোৰ বিষয়ে ইমানখিনি জানি কি কৰিব ? দিনৰ দিনটো মোৰ এই নগৰতে ঘৰ বুলি ধৰক ৰাতি

খন্তেক জিৰণীৰ বাবে এটি তৰা দেখা ঘৰ আছে, তাতেই মই, মাঁ আৰু মোৰ কণমাণি ভন্টি এজনীৰে লগত থাকো। ফৰকাল আকাশত তৰা দেখিলে গভীৰ নিদ্ৰা যাওঁ, যেতিয়াই মেঘৰ ঢেৰেকণি দেখো এথুপ পাতি এচুকত বহি থাকো। লৰাজনৰ কথাবিলাক কৈ যাওঁতে বগা মুখ খন যেন সেন্দুৰ ঘহাঁৰ দৰে ৰঙা হৈ পৰিল । মোৰো বৰ দুখ লাগিল তথাপি তাৰ আগত ভাগি নপৰি পুনৰ সুধিলো তোমাৰ দেউতাৰা নাথাকে নেকি ? আৰু পৰিয়ালত কোনো নাই নেকি ? দেউতাকৰ কথা সোধা মাত্ৰকে তাৰ দুচকুৰে দুধাৰি চকুলো বৈ আহিল আৰু ঠোকা-ঠুকি মাতেৰে ক'লে - নাই দেউতা ঢুকুৰা আজি এবছৰ হ'ল আৰু খুড়া - বৰদেউতা সকলো আছে, তাৰ কথাবিলাক শুনি মোৰওঁ হৃদয়খন ভাঙি গ'ল তথাপি নিজক ধৈৰ্য্য ধৰি কলো, তোমাৰ ঘৰৰ পৰিয়ালত যদি খুড়াহত আছে তুমি কিয় এনেবোৰ কাম কৰিব লগাত পৰিল?

হুনিয়াহ কাঢ়ি লৰাটোৱে কলে আমাক খুড়াহতে ঘৰৰ পৰা উলিয়াই পঠিয়ালে কি কম আমাৰ ভাগ্যত ভগৱানে এনেকৈ জীয়াই থাকিবলৈ লিখি পঠিয়াছে । আমি বহুত সুখেৰে জীৱন যাপন কৰিছিলো আমাৰ দেউতাই চৰকাৰী অফিচত চাকৰি কৰিছিল, কোনো দিনেই কোনো বস্তুৰ আমাক অভাৱত পৰিবলৈ দিয়া নাছিল । আমাক সদায় স্কুললৈ অনা - নিয়া কৰিছিল । এটা সুন্দৰ পৰিয়াল আছিল। কিন্তু কি কৰিব হঠাৎ অহা ধুমুহা জাকে ভাঙি নিয়াৰ দৰে আমাৰ ঘৰ খন ভাঙি পেলালে ।

বহাগ বিহুৰ এক সপ্তাহ মানৰ আগৰ ঘটনা আমাৰ দেউতাই আনদিনাৰ দৰে সেইদিনাও সন্ধ্যা ঘৰলৈ আহিব বুলি বাট চাই আছো কিন্তু গোটেই নিশা দেউতাই চাকৰিৰ পৰা উভতি নাহিল, আমাৰ কাৰোৰে টোপনি নাহিল কোনো দিনেই, ক'তো নথকা মানুহজন কিয় অহা নাই আমি সকলোৰে চিন্তা কৰি ৰাতিটো পাৰ কৰি দিলো । ৰাতিপুৱা আমি দেউতাক বিচাৰি যাবলৈ সিধান্ত কৰিলো । মায়ে আমাক স্কুল যাব নালাগে বুলি কলে ।

এনেদৰে আমি ওলাই যাব খোজতে আমাৰ আলিবাটেৰে যোৱা বৰদেউতা সম্পৰ্কীয় মানুহজনে আমাক কলে 'দীঘলী পুলৰ' দাতিতে মানুহ এজনক কিবা গাড়ীৰে খুন্দিয়াই মাৰি থৈ গ'ল । কথাষাৰ শুনামাত্ৰকে আমাৰ বুকুখন চিৰিং কৰি গ'ল মায়ে আমাক টানি - আজুৰি তালৈ লৈ গ'ল । দেউতাই কাম কৰিবলৈ সেইফালেই যায় । আমি গৈ পোৱাৰ আগতে তাত বহুতো মানুহ গোট খাই আছিল । আমি গৈ দেখো যে সচাঁকৈ সেয়া অন্য কোনো নাছিল, আমাৰ দেউতাই আছিল।

দেউতাৰ মৰা দেহটো দেখি মায়ে কান্দি - কান্দি বাউলি হৈ পৰিল মই অস্থিৰ হৈ পৰিলো তাত বহুতু মানুহে মাক মোক বুজালে সেই সময়তে ওচৰৰ থানাৰ পুলিচ আহি দেউতাৰ মৰা শৰটো লৈ গ'ল আমাৰ স্থানীয় মানুহে আমাক ঘৰলৈ লৈ আহিল আৰু দিনৰ প্ৰায় ২ মান বজাত পুলিচে আহি দেউতাৰ শৰ টো থৈ গলহি । স্থানীয় ৰাইজ আৰু পৰিয়ালে চিতা জ্বলাই। গোটেই পৰিয়াল লগ - লাগি মৰা সৎ কাৰওঁ কৰিলে ।

কিন্তু অতি দুখৰ কথা হ'ল দেউতাৰ মৰা দিনৰ পৰাই মায়েওঁ মাত কথা লগতে একো লৰচৰ কৰিব নোৱাৰো হ'ল । আমি এইদৰে খুড়া, বৰদেউতাহতঁৰ লগত তিনি মাহ থকা পিছত আমাক সদায় খুৱাই থাকিব নোৱাৰা বুলি কৈ আমাক ঘৰ মাটি কাঢ়ি আমাক খেদাই দিলে সেই দিনাৰ পৰাই মই এনেকৈ য'তে - ত'তে কাম বন কৰো , পেলনীয়া বস্তু বিলাক বুটলি বিক্ৰী কৰি মাক দৰৱ পাতি আৰু ভন্টিক পোহ- পাল দি আছো । মোক দেউতাই কোনো দিনেই চোৰ নকৰিবলৈ আৰু মিছা নকবলৈ কৈছিল সেয়েই আজি মই কাকো হাত নপতাকে চুৰ নকৰাকে এযাজ ভাত কষ্টৰে খাই আছো ।

এয়াই হৈছে মোৰ কপালৰ লিখন । মোৰ সমণীয়া বিলাকক স্কুল যোৱা দেখিলে মোৰো যাবৰ মন যায় । কিন্তু কি কৰিম কোনো মোৰ মাক ভন্টিক চাব । সকলোবিলাক নিৰৱ সহ্য কৰি মাত্ৰ ঈশ্বৰক প্ৰাৰ্থনা কৰো যি ব্যক্তিয়ে আমাৰ দেউতাক গাড়ীৰে মাৰি আমাক অনাথ কৰি আজি আমাক কষ্ট দিছে । তেওঁৰো যাতে ঈশ্বৰে ক্ষতি কৰে ।

লৰাজনৰ কথাবিলাক শুনি সচাঁকৈ মোৰ খুব দুখ লাগিল । সচাঁই মানুহৰ জীৱনটো এজাক ধুমুহাৰ দৰে ।


অনুভৱৰ কৰণি

# প্ৰাগজ্যোতিষ কলেজ

✍ আশুতোষ গিৰি
অৱসৰপ্ৰাপ্ত অধ্যাপক , বাংলা বিভাগ




**জ্ঞান**-বিজ্ঞানৰ বিকীৰ্ণ-জ্যোতিৰুন্মেষ বিগত শতাব্দীৰ মধ্যভাগৰ পৰাই, কামাখ্যা তীৰ্থৰ পাদদেশৰ অনতিদূৰত 'শাশ্বতীভ্য সমাভ্য' লাভ কৰিবৰ বাবে অসীম উচ্চাশাৰে যত্নপৰ।

নীলা-নীলা পাহাড়-পথাৰ-ঘেৰা অসমৰ এখন ঐতিহ্যমণ্ডিত কলেজ প্ৰাগজ্যোতিষ। জয়- জয়তে, প্ৰাগজ্যোতিষ কলেজখন ১৯৫৪ চনত প্ৰতিষ্ঠিত হয়। গুৱাহাটীৰ বিশিষ্ট শিক্ষানুষ্ঠানী আৰু শিক্ষাবিদ্যাৰ্য পশ্চিম গুৱাহাটী এই কলেজ খনৰ উদ্যোক্তা। ডাক্তাৰ সুৰেন শৰ্মা, দেবেন্দ্ৰনাথ শৰ্মা প্ৰমুখ ব্যক্তিসমূহ হ'ল এয়া সত্য উদ্দেশ্য সাধনৰ পথিকৃৎ।

পণ্ডিত তীৰ্থনাথ শৰ্মা মহোদয় এই কলেজখনৰ প্ৰতিষ্ঠাতা অধ্যক্ষ। অধ্যক্ষ হিচাবে তেওঁৰ অসাধাৰণ পাণ্ডিত্য আৰু ব্যক্তিত্ব তুলনা কৰিব নোৱাৰি। তেওঁ মাতৃভাষা অসমীয়াৰ

বাহিৰে ইংৰাজি, সংস্কৃত, হিন্দী আৰু বঙালীত পাৰদৰ্শী আছিলে।

তেতিয়াৰ ৰাজনীতি শৰ্মাদেৱক প্ৰলুব্ধ কৰিব পৰা নাই। কেন্দ্ৰত এম.পি. হ'বৰ আহ্বান তেওঁ প্ৰত্যাহ্বান কৰিছিলে অৱলীলা ক্ৰমত। অসমত শিক্ষাবিস্তাৰ আৰু শিক্ষাদান কাৰ্যত তেওঁ বিশেষকৈ ব্ৰতী হৈছিলে।

অধ্যক্ষ শৰ্মাদেৱৰ সময়ছোৱাত যিবিলাক স্বনামধন্য ব্যক্তি কলেজত অধ্যাপক হিচাৱে নিযুক্ত হৈছিলে তেওঁলোকৰ ভিতৰত সৰ্বশ্ৰী বীৰেণ বৰদলৈ (ইংৰাজী), ভগৱান চন্দ্ৰ লহকৰ (বাণিজ্য), ভবানন্দ ডেকা(অৰ্থনীতি), গদাধৰ দেবশৰ্মা, ডঃ কিৰণচন্দ্ৰ শৰ্মা, সুশীল শৰ্মা (উপৰোক্ত তিনিজন অসমীয়া বিভাগৰ), ভূপেন সিং (ভূ-তত্ব বিভাগ)।

ইয়াতে উল্লেখ কৰিব পাৰি ভগৱান চন্দ্ৰ লহকৰ দেৱ পিছত গুৱাহাটী কমাৰ্চ কলেজৰ প্ৰতিষ্ঠাতা অধ্যক্ষ হৈছিলে। আৰু অধ্যাপক ভবানন্দ ডেকাদেৱেও কেন্দ্ৰিয় সৰকাৰ আহ্বানত অৰ্থনৈতিক যোজনা কমিচনত কেইবা বছৰ সফলতাৰ সৈতে (লিয়নত) কাম কৰি আহিছে। প্ৰাগজ্যোতিষ কলেজত আৰম্ভণিৰ পৰাহে - আৰ্টচ, চায়েন্স আৰু কমাৰ্চ বিভাগ খুলা হৈছিল। ক্ৰমাৎ সকলো শাখাত স ান্মানিক বিষয়টো (Hons) খুলা হৈছিল। অৱশ্যেই লাহে লাহে।

কলেজখনত আৰম্ভনিৰ পৰাহে সান্ধ্য বিভাগ খুলা হয়। কাৰণ, মালিগাওঁৰ এন্. এফ্. ৰেলৰ পৰা ভালেমান কৰ্মী শিক্ষা লাভ কৰিবৰ বাবে প্ৰাগজ্যোতিষ সান্ধ্য-কলেজত ভৰ্তি" হয়। তেওঁলোকৰ অফিচ ছুটিৰ পাছতহে সন্ধ্যা ৫ টাৰ পৰাই ক্লাচত সোমাব পাৰিছিল।

মই প্ৰাগ্‌জ্যোতিষ কলেজৰ বঙালী বিভাগত অধ্যাপনা কৰিবৰ বাবে যোগদান কৰিছিলোঁ ১৪ জুলাই ১৯৬১ চনত।

মোৰ ইন্টাৰভিউ লৈছিল অধ্যক্ষ তীৰ্থনাথ শৰ্মাদেৱে। তেওঁ বাংলাত ক'লে, 'আপনি অসমত নতুনকৈ আহিসে?'

বাৰ্থাৰীতি উত্তৰ দিলোঁ, 'হ্যাঁ, স্যাৰ', ইয়াৰ পিচত তেওঁ ক'লে, 'ইয়াতে থাকিবলৈ হ'লে অসমৰ তাম্বুল খোৱাটো অভ্যাস কৰিব লাগিব। তেওঁৰ টেবুলত তাম্বুল আছিল। তেওঁ মোক দিলে। তাম্বুলটো খোৱাৰ লগে লগে মূৰৰ বিষ আৰম্ভ হৈ গ'ল। তেওঁ বুজি পালে আৰু লগে লগে প্ৰতিকাৰ স্বৰূপ টেবুলত ৰখা বাটিৰ পৰা অলপ চেনী লৈ মোক খাবলৈ দিলে।

আচৰিত কথা লাহেকৈ তামোলৰ বিষ নাইকিয়া হৈ গ'ল। এইবাৰ প্ৰশ্ন নহয়, উপদেশ, 'কলেজৰ যি কোনো অনুষ্ঠানত ইংৰাজীত ভাষন দিব লাগিব।'

এয়া সময়ত, অসমীয়া অনাৰ্চৰ চিলেবাচ - 'ৰবীন্দ্ৰনাথ আছিল। তেতিয়া মই এই ক্লাচটো লৈছিলো। ছাত্ৰ-ছাত্ৰীবিলাক মোক 'অসমীয়াত' ৰবীন্দ্ৰনাথ শিকাবলৈ অনুৰোধ কৰিলে। মই সুখী হ'লো। কাৰণ, ইয়াৰ ফলত সোনকালে মোৰ 'অসমীয়া'টো শিকা হ'ল।

কলেজৰ যিকোনো ফাংচনত ওজাপালি, বৰগীত, বিহুগীত আৰু অসমৰ লোকগীত মই খুব আগ্ৰহেৰে শুনিছিলো মন্ত্ৰমুগ্ধৰ নিচিনা। তিনি দশকৰও বেছি দিন মই অসমত থাকিছিলো। তাৰ একমাত্ৰ কাৰণ হ'ল - অসমখনক, অসমৰ মানুহজনক আৰু অসমৰ সাংস্কৃতিক - অন্তৰৰ পৰা মই খুব ভাল পাইছিলো।

পাহৰিব নোৱাৰো দীপালি বৰঠাকুৰ, ড০ ভূপেন হাজৰিকা আৰু জয়ন্ত হাজৰিকা আদিক। তেওঁলোকে অসমৰ সঙ্গীত মাতৰ উজ্জ্বল তাৰকা। দ্ৰষ্টা আৰু শ্ৰষ্টা হোমেন বৰগোঁহাই দেৱকও মনত পৰে। মই এহেজাৰ মাইল দূৰৰ পৰা বিহুগীত গুণগুণাই থাকো -

"অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকোঁ
তাতকৈ চেনেহৰ ব'হাগৰ বিহুটি
নেপাটি কেনেকৈ থাকোঁ।"

# মোৰ জীৱনৰ অনুসন্ধানত মহাবিদ্যালয়খন

শিখাশ্ৰী দেৱী মেধি
*প্ৰাক্তন ছাত্ৰী*

**মোৰ** জন্মস্থানৰ প্ৰতি মোৰ মোহ বহুত, য'ত মোৰ মৰমৰ বিদ্যালয়খনৰো অৱস্থিতি মোৰ ঘৰৰ নিচে ওচৰত পঢ়া বিদ্যালয়তে শিক্ষা, প্ৰতিভা আৰু বৌদ্ধিক বিকাশ হয়।

মই চাগে তেতিয়া অষ্টম শ্ৰেণীত পঢ়ো যেতিয়া মহাবিদ্যালয়ৰ চৌহদত কেৰাটি প্ৰশিক্ষণ লওঁ। মেট্ৰিক পাছ নকৰাকৈ মোৰ প্ৰৱেশ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত। মহাবিদ্যালয়ৰ হলত যেতিয়া দুৱাৰ বন্ধ পাওঁ তেতিয়া মতে'কা বা দুখু'কাক বিচাৰী চাবিৰে হল খুলি প্ৰশিক্ষণ আৰু অনুশিলন কৰো। পুখুৰীৰ পাৰৰ খেজুৰী জোপা আৰু শেৱালী জোপাৰ ওচৰত নিজক পায় আনন্দ পাওঁ। এনেদৰে উমলি-যামলি মেট্ৰিক পাছ কৰি মহাবিদ্যালয়খনত পঢ়াৰ মানস পূৰ্ণ কৰো নাম ভৰ্ত্তি কৰি। তেতিয়া মহাবিদ্যালয়ৰ পৰিৱেশ কি সুন্দৰ প্ৰাকৃতিক সৌন্দৰ্য্যয়ে সুকিয়া। এতিয়া থকা হোষ্টেল বা কেন্টিন নাছিল, তাত থকা পিতনিটোৰ ফুলবোৰে আৰু নানাধৰণৰ চৰাই-চিৰিকটীয়ে মেটেকাৰ ওচৰত উৰি ফুৰি মন মোহিত কৰিছিল।

মই প্ৰাথমিক বিদ্যালয়ত পঢ়োতে ১৯৮৮ চনত বানপানী হৈছিল আৰু মহাবিদ্যালয়ৰ চৌহদৰ সীমাৰ বেৰখন ভাঙি গৈছিল আৰু ৰাতি হোৱা বাবে আমাৰ বৰ কষ্ট হৈছিল। পানীৰ হেচা বাঢ়ি যোৱাত ঘৰৰ দুৱাৰ পৰ্য্যন্ত খুলিব পৰা নাচিল, মই সৰু বাবে মোক কোলাত দাঙি উদ্ধাৰ কৰিছিল। সেইবাৰ বানপানীৰ ৰূপ ভয়ংকৰ আছিল। আমি ঘৰ এৰি কেইদিনমানৰ বাবে গুচি গৈছিলো আৰু বহুতে মহাবিদ্যালয়ত আছিল। মহাবিদ্যালয়ৰ সীমাৰ বেৰখন হওঁতে বহু দিন লাগিছিল। দুটা পুখুৰীৰ মাজৰ পথচোৱা কিযে সুন্দৰ লাগে। আগতে মহাবিদ্যালয়ৰ নিৰ্বাচনৰ পাছত লেতেৰা হলে আমি স্বইচ্ছাত চাফা কৰিছিলো। এই ক্ষেত্ৰত বলেন চাৰ, ৰঞ্জিত চাৰ সকলোৰে বহু উৎসাহ দিছিল। সুচিত্ৰা বাইদেউ যে কিমান মৰমীয়াল আছিল এতিয়াও মনত পৰে।

আমাৰ শিক্ষা গুৰু সকলে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক নিজৰ সন্তানৰ দৰেই মৰম আৰু শাসন কৰিছিল। মই কলেজ সপ্তাহ খুব ভাল পাইছিলো কাৰণ মই খেলা ছোৱালী। মোৰ বাবে যেন সেইদিন কেইটা বৰ ব্যস্ততাৰ আছিল, প্ৰতিবছৰে ডবাত চেম্পিয়ন হওঁ তাৰোপৰি পাঞ্জা, কেৰাটি, বেডমিন্টন, ভলিবল, হেন্ডবল, কাবাডি সকলোতে বিজয়ী হও। মোৰ হেচাতে পোন প্ৰথমবাৰ মহিলা ক্ৰিকেট হৈছিল। মোৰ বন্ধু-বান্ধৱীয়ে কৰা সাংস্কৃতিক কৰ্মবোৰ চাব সময়ে নাপাও কিন্তু ভেশচন চোৱাৰ বাবে যে ৰৈ থাকো, কি যে ভাল লাগে আমাৰ লগৰ কোনোবা ভিক্ষাৰী আৰু চন্দনা শৰ্ম্মা এজনী খ্ৰীষ্টান কইনা হৈছিল কিমান যে সুন্দৰ দেখাইছিল যেন সৰগৰ পৰী। বহু সুন্দৰকৈ অতিবাহিত হৈ মহাবিদ্যালয় সপ্তাহ, মোৰ বাইদেউ হিমাশ্ৰী দেৱীও বিজ্ঞান শাখাৰ ছাত্ৰী আছিল তাই এগৰাকী খেলুৱৈৰ লগতে সহঃ সাধাৰণ সম্পাদিকাও আছিল।

মোৰ স্নাতক নামভৰ্ত্তিওঁ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত কৰো। মোৰ মেজৰ দৰ্শন বিষয়ত আছিল তেতিয়া হঠাৎ অসমীয়া মাধ্যমেৰে পৰা ইংৰাজী মাধ্যম ল'ব লগাত যে চিন্তিত হলো কিন্তু আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰুৱে আমাক যেন সকলো বুজাত সহায় কৰি দিছিল। মুৰব্বী গীৰিশ বৰুৱা চাৰ, মেডাম যি মানসপতত এতিয়াওঁ উজলি আছে দীপিকা মেম, অজন্তা মেম, বিভা মেম।

বিশেষভাৱে মই ধন্য, মহাবিদ্যালয়ৰ পৰা মোক যেতিয়া ধৰ্মেশ্বৰ শৰ্ম্মা চাৰে দিল্লীত গণৰাজ্য দিৱস পেৰেড কেম্পট পথায় (R.D.C.)। গধূৰ দায়িত্ব লৈ বহু কষ্টত ০° ডিগ্ৰীৰ তলত ঠাণ্ডাত আমিবোৰে এমাহ থাকো। ডিচেম্বৰৰ শেষত আমাৰ যাত্ৰা আৰম্ভ হয়।

আমাৰ দলত গুৱাহাটীৰ চাৰিজন, মেঘালয়ৰ দুজন, ডিব্ৰুগড়ৰ পাঁচজন আৰু ত্ৰিপুৰাৰ দুজন কেডাৰ আৰু আমাৰ গুৱাহাটীৰ ৰবিন ভূঞা দায়ে পাচলৈ কামাণ্ড দিবলৈ বাছনিত উপযুক্ত হয়, সকলো অভিজ্ঞ তাত মই মাথো অনভিজ্ঞ। একো নাজানো পেৰেডৰ অ, আ, ক, খ তাৰেই বাবে লজ্জিত্ব হ'লো। মোক বহু ঠাট্টা কৰিলে কিন্তু মই যেন হাৰ মনা বিধৰ নহয়। ৰাতি ভাত খায় উঠি নিজৰ

সতে যুদ্ধ কৰাৰ নিচিনাকৈ অনুশীলন কৰো খোজ কাটল মাথো পেৰেডৰ ভঙ্গিবোৰ। ভাবিছিলো 'ৰাষ্ট্ৰপতি'ৰ আগত চাগে পেৰেড কৰিব নোৱাৰিম আৰু নোৱাৰিলে মহাবিদ্যালয়ত কি মুখ দেখাম, সেয়েহে মই হাৰিব নোৱাৰো বা হাৰিব বিচৰা নাছিলো। সেই পুহমহীয়া ঠাণ্ডাক নেউচি প্ৰায় আন্ধাৰত উঠি গা-পা ধুই আমি পেৰেড গ্ৰাউন্দত যাওঁ। North East Region ৰ N.S.S. ক প্ৰতিনিধিত্ব কৰিছিলো আমি।

কেম্পত থকা কেইদিন আমাক সকলো খোৱা-লোৱা, গৰম কাপোৰ সমষ্ট দিছিল। আটাইতকৈ ডাঙৰ কথা আমাক বহু বিখ্যাত আৰু ঐতিহাসিক ঠাই পৰিভ্ৰমণ কৰায় - তাজমহল, লালকিল্লা, কুটুব মিনাৰ, ৰাজঘাট, ইন্দিয়া গেট, ফটেহপুৰ চিকৰী, নিজামুদ্দিন লোটাচ মন্দিৰ (Lotus Temple) আৰু চান্দেনি চ'ক আৰু বহু ঠাই নামবোৰ মনত নাই প্ৰায় ঠাইয়ে পৰিভ্ৰমণ কৰায়।

মনত পৰে যিদিনা শেষ অনুশীলন আৰু তাৰ পৰায়ে বাছনি হ'ব মূল পেৰেডৰ, সকলোৰে ভয়, মই ভয় কৰা নাছিলো কাৰণ মোৰ দৃঢ়তাক মই তাতেই গঢ়িব সাধ্য হৈছিলো যে মই ৰাষ্ট্ৰপতিৰ আগত পেৰেড কৰিহে যাম, মই মোৰ যোগ্যতাক প্ৰদৰ্শন কৰিব পাৰিমে। সেই গৌৰৱত অধিকাৰী হোৱাৰ যত্ন যত আমি President of India K.R. Narayana আৰু ভাৰতৰ অতিথি ফ্ৰান্সৰ ৰাষ্ট্ৰপতিৰ সন্মুখত, V.I.P, V.V.I.P, সন্মুখৰ ১০,০০০ দৰ্শক আৰু ভাৰতৰ ১০০ কোটি জনতাৰ T.V. ত পেৰেডত চাব।

আমাৰ সতে পেৰেড কৰা উট, হাতী, ঘোঁৰা ইত্যাদিৰ পেৰেডৰ সমদল, বাইকৰ সুন্দৰ কলাৰে পেৰেড, ৰকেট, আকাশ মাৰ্গত যুঁজাৰো বিমান, এয়াৰ কাৰ্ফট, উটত উঠি ৰাজস্থান ৰেজিমেন্টৰ বয়সৰ ওচৰত হাৰ নমনা চালক, সুজ্জিত চৌপাশ, সাহসিকতাৰ পুৰস্কাৰ প্ৰাপ্ত শিশুসকল, প্ৰতিখন ৰাজ্যৰ সাংস্কৃতিক প্ৰতিক চিহ্নৰ সমাৰোহ, দিল্লীখন নকনাইৰ দৰে সজাই।

কি আচৰিত মই বাছনিত উপযুক্ত হলো আৰু গৌৰৱেৰে Border line ত হলো। আনন্দ লাগিল মোৰ কিন্তু এতিয়াওঁ শেষৰ অনুশীলন আছিল Best হোৱাৰ। সদায় পুৱা পুহ মহীয়া-মাঘ মহীয়া ঠাণ্ডাত ৰাষ্ট্ৰপতি ভৱনৰ পৰা ইন্দিয়া গেটলৈ পেৰেড কৰো, বহু কষ্ট হয়। কিন্তু যে সদায় উৎসাহ পাওঁ। কাৰণ সেই পথৰ গাৰ্ত্তিয়্যয়ে সুকীয়া। শেষত সেই দিনটো আহিল "গণৰাজ্য দিৱস" ১৯৯৮ চন ২৬ জানুৱাৰী আমি পুৱাৰ পৰা সাজু, সম্পূৰ্ণৰূপে যে এটা অন্যৰূপত। সেই পোঁচাক বোৰে আমাৰ মাজত অনশাসন, কৰ্তব্যবোধ, দায়িত্বশিল হ'ব শিকায়, ১৮-১৯ বছৰত শিকা শিক্ষায়ে হতাশ হ'ব নিদিয়ে, উৎসাহ যেন মনৰ কোনোবা কোণত এতিয়াও আছে এলেহুৱা হ'ব নিবিচাৰা স্বভাৱটো দৃঢ় হ'ব জানে মগজুয়ে।

সেই অংশগ্ৰহণ কৰা গণৰাজ্য দিৱসৰ ২০ বছৰ হ'ল তথাপি সজীৱ সেই স্মৃতি। আমাৰ কোনো কথাত অসুবিধা নহবলৈ চৰকাৰে সকলো সুবিধাৰ লগতে অত-তত যাব ছুপাৰ বাছ প্ৰতিখন বাছত Camera man য়ে Vedio আৰু Photo লৈ। আমি নজনাকৈ তেওঁলোকে এইবোৰ কৰে য'ত পাছলৈ কেম্পত মুখ্য বিষয়াসকলে চায়। আমাক North East ৰ Guwahati rigion বুলি ধৰা হয় তাত আমি বহুত তিক্ত অভিজ্ঞতাও পাওঁ - আমাক পাহাৰীয়া জংগলী জাতি বুলি ঠাট্টা কৰিছিল, কিন্তু সকলোকে আঁচৰিত কৰি আমি dicipline ত first হওঁ We are the best, we proved it .

ইয়াতে বহু গণ্য-মান্য ব্যক্তিত্বক লগ পাওঁ। যেনে মনোজ প্ৰভাকৰৰ সতে একে লগে কথা হোৱা, সুনিল দেৱ, মানৱ অধিকাৰ সজাগতাৰ বিশিষ্ট ব্যক্তি সকল। সৰ্বভাৰতীয় এই চাওঁনিত কুইজ পতা হয় যত মই পুৰস্কাৰ পাওঁ। দিনবোৰ কেনেদৰে মাহ হ'ল গমকে নাপাওঁ। সদায় সন্ধিয়া নৃত্য-গীত নাটক, একক অভিনয় আদি হয়। আমিও নাচিছিলো HIV ৰ ওপৰত জ্ঞান মূলক নাটক কৰো।

সেইদিনটোলৈ মনত পৰে যিদিনা পেৰেডত পুৱাৰ পৰা লৰচৰ নকৰি অনুশাসনৰ সীমান্ত থাকি শেষত যেতিয়া প্ৰকৃত উদ্দেশ্য শেষ কৰো অৰ্থাৎ পেৰেড শেষ কৰি সহজ হয় পৰিছিলো। ঘৰৰ সতে কোনো যোগাযোগ নাই চিঠি দিছেলো, উত্তৰ নাপাওঁ, দিল্লী যে বহু দূৰ তেতিয়া ফোনৰ সুব্যৱস্থা নাছিল। অনৱৰতে এটা চিন্তাৰে পাৰ হল, সফল কৰিলো নিজকে কৰা সংকল্পৰ সতে যে 'ঘৰৰ গৌৰৱ আৰু মহাবিদ্যালয়ৰ গৌৰৱ হম।" হয় মই পাৰিলো গৌৰৱ বুটলিব।

সিদিনা মানে ২৬ জানুৱাৰী পেৰেড কৰি আহি কেম্পৰ নীল আকাশৰ তলত বাহিৰত কাৰ্পেটৰ ওপৰত শুই পৰো ভাগৰ পলাৰ তেতিয়া আকাশমাৰ্গত আমাৰ সতে পেৰেড কৰা সেই এয়াৰকাৰ্ফটবোৰ উৰি থকা দেখো। ভাৰি ৰওঁ য'ত সাধাৰণ জনতাৰ প্ৰৱেশ ইয়াত নিষেধ কিন্তু আমি স-সন্মানে পেৰেড কৰি আহিলো। হঠাৎ তেতিয়া কেম্পৰ মাইকত মোৰ নামটো ভাহি আহে, মই নীল আকাশৰ বিভোৰাতাত মগ্ন কিন্তু পুণৰ মাতাত গম পালে মোৰ চিঠি আহিছে গ্ৰহণ কৰিব লাগে। মই দৌৰি যাওঁ ভাগৰ পাহৰি আৰু এখন পোষ্ট কাৰ্ডত মোৰ বা হিমাশ্ৰীৰ লিখনী যে মই পেৰেডত যোগদিহে যাওঁ যেন, বাছনিত

উপযুক্ত হ'বলৈ আপ্ৰাণ চেষ্টা কৰিব কৈছিল। মোৰ দুচকুৱে চকুলো ওলাইছিল কাৰণ তাইৰ চিন্তা কোনো দিনে কেম্প নকৰা মই ভয়ত লিখা চিঠিবোৰ পাইছিল। কিন্তু মই যে সফল হৈছো সিহঁতে গমকে পোৱা নাছিল। মোৰ ভাল লাগিছিল হাজাৰ হাজাৰ ল'ৰা-ছোৱালীৰ মাজত উপযুক্ত হোৱা এজন মই, কোনো দিন কেম্প নকৰা মই য'ত বহু কেম্প কৰিওঁ উপযুক্ত নহয়, আমাক দিল্লীৰ ৰাজপথত পেৰেডত কৰা T.V. দেখাম আমাৰ মহাবিদ্যালয়ৰ ধৰ্মেশ্বৰ শৰ্ম্মা চাৰৰ পত্নীয়ে মোক দেখি উভতি অহাৰ পাচত মোক কৈছিল।

তাত লগ পোৱা বন্ধু-বান্ধৱী সকল মনলৈ আহে স্মৃতি হৈ। এমাহৰ বন্ধুত্ব যেন চিৰস্মৰণীয় হ'ল। শেষত আহিল এৰা-এৰিৰ দিন কেম্পফায়াৰ মানে অন্তিম ৰাতি। জুই জ্বলাই খুব ফুৰ্টি কৰো সকলোৱে আৰু নাচ-গান সকলো। পিছদিনা অশ্ৰুনয়নেৰে বিদায়। এইয়া মোৰ জীৱনৰ স্মৃতিত চিৰস্মৰণীয় হৈ ৰব। মোক কেৰলীয়া চাৰ মানে মুৰব্বীজনে বৰ ঠাট্টা কৰিছিল। সকলোৰে আগত প্ৰথমদিনাই খুব ইতিকিং কৰে যে মই একো নাজানা এটাক কোনে পঠালে? ক'ৰ মই? কিন্তু পিছত তেওঁ তেওঁৰ মন্তব্য সলনি কৰি কৈছিল মই খুব জেদি ছোৱালী বা কোনো দিনা নকৰা কাম এটা সুন্দৰকৈ কৰি সাধ্য কৰি সফল হলো, মই উদাহৰণ হেনো, ৰাষ্ট্ৰপতিৰ আগত পেৰেড কৰাৰ যোগ্যতা আনিব পৰা বাবে তেওঁ মোৰ প্ৰশংসা কৰাত কৃপনালী কৰা নাছিল। ধন্য তেনে ব্যক্তিত্বক লগ পায়। যাৰ অনুশাসন মানে শিলৰ ৰেখা। মই যেন মোক জয় কৰিব পাৰিছিলো আৰু এতিয়া হয়টো শেষ মূহুৰ্ত্তলৈ সেই সাহস থাকিব যিয়ে মোক শক্তি দিয়ে শৃংখলাবদ্ধভাৱে জীয়াই যাব।

জীৱনৰ ইমানবোৰ ভাল অভিজ্ঞতাৰ গৰাকী বাবে মই মোৰ মহাবিদ্যালয়ৰ ওচৰত চিৰকৃতজ্ঞ, বিশেষকৈ ধৰ্মেশ্বৰ শৰ্ম্মা চাৰৰ ওচৰত মোৰ ওপৰত বিশ্বাস কৰা বাবে, তেতিয়াৰ অধ্যক্ষ প্ৰদীপ দস্তিদাৰ চাৰৰ ওচৰত মই মোৰ কৃতজ্ঞতা যাচিলো। তেতিয়াৰ সম্পাদক সঞ্জীৱ দত্তকো ধন্যবাদ।

মোৰ মেজৰৰ শিক্ষাগুৰু সকলোক ধন্যবাদ আৰু আন্তৰিকতাৰে মোৰ বান্ধৱি ৰূপজ্যোতি গগৈক ধন্যবাদ কাৰণ এমাহৰ সকলো নোট তাই মোক লিখি দিছিল।


এতিয়া মনত পৰে ১৯৯৮ চনত কাৰগিলৰ শ্বহীদৰ হকে শ্ৰদ্ধাঞ্জলী অনুষ্ঠান পতা হয় জজ খেল পথাৰত আৰু মোৰ কবিতা T.V. ৰ বিখ্যাত ঘোষিকা ৰাখি চক্ৰৱৰ্ত্তিয়ে পাঠ কৰে সুন্দৰকৈ। পিছত সকলোৱে আঁচৰিত হয় যে ইমান কম বয়সত ইমান সুন্দৰ কবিতা ৰচা বাবে। কবিতাটো পিচত অধ্যক্ষ মহোদয় অগ্ৰদূতত প্ৰকাশিত হোৱা কথা গম পায় মহাবিদ্যালয়ৰ আলোচনীত প্ৰকাশ কৰে। মোৰ কবিতা মই কেতিয়াবা প্ৰাণীবিজ্ঞানৰ চাৰ ড০ বলেন দাস চাৰক দেখাওঁ, চাৰৰ প্ৰতিটো পৰামৰ্শ মোৰ বাবে মই প্ৰয়োজনীয় অনুভৱ কৰিছিলো। তেখেত বিজ্ঞানৰ চাৰ হ'লেও মই তেওঁক দেখাব পাৰিছিলো কাৰণ মোৰ দাদা-বাইদেউহঁতৰ তেওঁ শিক্ষাগুৰু আছিল, তেওঁৰ নম্ৰতা আৰু উপদেশবোৰৰ ওচৰত কৃতজ্ঞ মই।

মহাবিদ্যালয়ৰ চৌপাশৰ মুকলি পৰিৱেশে ছাত্ৰ-ছাত্ৰীৰ মনবোৰও যেন মুক্ত আৰু মুকলি। মই সদায়ে গৌৰৱবোধ কৰো এই মহাবিদ্যালয় পৰিৱেশ আৰু ইয়াৰে পৰা আহৰণ কৰা শিক্ষা, শিষ্টাচাৰ, নৈতিকতাৰ বাবে।

মোৰ জীৱনৰ অনুসন্ধানত মই মহাবিদ্যালয়ৰ অনুদানক সদায় অনুভৱ কৰো। দৰ্শন বিভাগত কলা শাখাত উত্তীৰ্ণ হওঁ ২০০০ চনত, সেই শিক্ষাৰ মূল্যবোধ বুজিব পাৰো। তাৰপাছত শিক্ষকতা কৰিছিলো পিছত ঘৰুৱা অসুবিধাৰ বাবে শিক্ষকতা এৰিব লগা হ'ল। তথাপি মই মোৰ সাহিত্য চৰ্চা কৰো লিখা-মেলা এৰি দিয়া নাই।

আমি পঢ়োতে মাথো অসমীয়াত M.A আছিল মহাবিদ্যালয়ত এতিয়া হেনো অইন বিষয়তো M.A কৰিব পাৰি শুনি ভাল লাগে।

বিদ্যাৰ মন্দিৰ আমাৰ মহাবিদ্যালয়খনে মানৱতাৰ ধৰ্মৰে শিক্ষাৰ ধৰ্ম বিয়পাই জ্ঞানৰ পোহৰ বিয়পাই দিয়ক দুৰ দিগন্তলৈ। সীমাহীন বৈশিষ্ঠতাৰ অধিকাৰী হওঁক আমাৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়।



# আকৌ ঘূৰাই পোৱা হ'লে

✍ যোগেশ কাশ্যপ, অভিনেতা
*প্ৰাক্তন ছাত্ৰ*

**গতিশীলতা**ৰ নিয়ম মানি সময় আহে সময় যায়.............. নতুনবোৰ পুৰণি হয়। পুৰণিবোৰ কেতিয়াও নতুন নহয়। কিন্তু সময়ে এৰি থৈ যায় কিছু স্মৃতি, কিছু ছবি যেন সেয়া তলসৰা শেৱালী... সময় নামৰ মলয়া এচাতিয়ে দুৱৰিৰ দলিচাত শুৱাই দিয়া। এৰা মোৰ শৈক্ষিক জ্ঞান আৰু ব্যক্তিত্বৰ অধিকাংশই গঢ় লোৱা, মোৰ অভিনয় নিচা বৰ্তমান মোৰ পেচা হিচাপে সূচনা হোৱা এটি সুন্দৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশ বিৰাজিত, মোৰ হেপাঁহৰ মৰমৰ আৰু মোৰ যৌৱন কালৰো বিচৰণহীন প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ এৰি অহা দিনবোৰো যেন মোৰ বাবে সেই তলসৰ শেৱালীৰ দৰে....... মোৰ বুকুৰ কৰণিত আজিও সতেজ সজীৱ হৈ আমনি কৰে সেই শেৱালীযেন স্মৃতিবোৰে।

২০০০ ৰ পৰা ২০০২ লৈ এই তিনিওটা বৰ্ষত এই মহান মহাবিদ্যালয়খনৰ বহু স্মৃতি আজিও মনত বুকুত যিদৰে ৰৈ গ'ল.... মনত পৰিলে আজিও মোৰ ওঁঠৰ ফাকেৰে হাঁহি বিৰিঙি আহে। প্ৰথমতে সেই বছৰ কেইটিত আৰু এটাই কথাই মোৰ আত্মসন্তুষ্ঠি আনিছিল যে মই অসমৰ ধুনীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজত সুপৰিকল্কিভাৱে প্ৰতিষ্ঠা কৰা এখন মহাবিদ্যালয়ৰ মই এজন ছাত্ৰ। মই সদায় কামাখ্যা গেটৰ পৰা বাছেৰে আহি ভৰলুমুখৰ পৰা ৰিক্সাৰে কলেজগেটত নামি মহাবিদ্যালয়ৰ সমুখভাগতেই মহাবিদ্যালয়খনৰ শোভাবৰ্দ্ধন কৰি ৰখা দুফালে দুটা পুখুৰীৰ মাজেৰে মহাবিদ্যলয়ত প্ৰৱেশৰ সেই মুহূৰ্তত এনে লাগিছিল, মই যেন এটি মন্দিৰ কেম্পাচত প্ৰৱেশ কৰিছিলো........ এৰা মন্দিৰেই আছিল মোৰ বাবে "বিদ্যামন্দিৰ"। মহাবিদ্যালয়ৰ ভিতৰৰ বাকৰিত আকৌ ৰং বিৰঙৰ ফুলৰ বাগিছা...... কি যে এক মনোমোহা পৰিৱেশ। মহাবিদ্যালয়ৰ প্ৰাংগনৰ বাগিছাত থকা সৰু-বৰ গছৰ ছাঁবোৰ মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাবোৰ মহা নগৰীৰ গ্ৰীষ্মকালীন দিনবোৰত শীতলতা আনিছিল। এইখিনিতে মনত পৰিলে আজিও ভাল লাগে... এবাৰ মই অধ্যয়ন কৰা শিক্ষা বিভাগৰ সমুখভাগত বাগিচা লগাবলৈ সেই সময়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা সুচিত্ৰা কাকতি বাইদেউ আৰু অধ্যাপিকা জোনালী মুদৈৰ নেতৃত্বত আমিও কটাৰী লৈ কাযত লাগি গৈছিলো। বিশেষকৈ সুচিত্ৰা কাকতি আৰু জোনালী বাইদেৱে পাঠ্যক্ৰমৰ শিক্ষাৰ ওপৰিও (Extra carricular activity) ৰ ক্ষেত্ৰতো সমানে পৰামৰ্শ দিয়া আজিও মনলৈ আহে, যাৰ ধনাত্মক প্ৰভাৱ মোৰ কলেজীয়া জীৱনৰ

পিছৰ সময়চোৱাত বাৰুকৈয়ে অনুভৱ কৰিছিলো।

ইয়াৰোপৰি মই যে সেই সময়ৰ পৰাই অভিনয়ৰ লগত জড়িত, সেই কথা মোৰ সহপাঠী বহুতেই গম পাইছিল। তেতিয়াই মই গুৱাহাটী দূৰদৰ্শনৰ "ঝংকাৰ" নামৰ ধাৰাবাহিক এখনত কৰা অভিনয়ৰ বাবে মহাবিদ্যালয়ৰ বহুতৰ বাবে মই এখন চিনাকী মুখ আছিলো। এতিয়াও মনত পৰে মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ সম্পাদকৰ লগতে আন আন বিভাগৰ সম্পাদকে মোক প্ৰতিযোগিতাবোৰ ভালদৰে ঘোষণা কৰি পৰিচালনা কৰিবলৈ খাতনি ধৰিছিল।

মহাবিদ্যালয় সপ্তাহ আৰু এটা স্মৃতি আজিও সজীৱ আৰু হয়তো পিছতো মোৰ অভিনৰৰ পেচা হিচাপে লোৱাৰ দিশত প্ৰেৰণা তথা উৎসাহৰ কাৰক হৈছিল... মই মহাবিদ্যালয় সপ্তাহত দুয়োটা বৰ্ষতেই বৰ্ষশ্ৰেষ্ঠ অভিনেতা হ'বলৈ সক্ষম হৈছিলো। অৱশ্যে অন্তিম বৰ্ষত নাট প্ৰতিযোগিতা অনুষ্ঠিত হোৱা নাছিল।

এইখিনিতে মই মোৰ কলেজীয়া দিনবোৰত মোৰ মনত কাহিনীও মচ নোখোৱাকৈ সাঁজ বহুৱাবলৈ পোৱা ব্যক্তি কেইগৰাকীৰ নাম মই আজি উল্লেখ কৰিব লাগিব। তেওঁলোক হ'ল ক্ৰমে সেই সময়ৰ অধ্যক্ষ মহোদয় দয়ানন্দ পাঠক, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ পৰমানন্দ ৰাজবংশী শিক্ষা বিভাগৰ অন্যান্য কেইগৰাকী অধ্যাপক/অধ্যাপিকা বিশেষকৈ সুচিত্ৰা বাইদেউ , গৌৰী বাইদেউ, জোনালী বাইদেউ আৰু বিনীতা বাইদেউ আৰু বিভিন্ন বিভাগৰ বৈকুণ্ঠ ৰাজবংশী, বলেন দাস চাৰৰ মৰম আৰু পৰামৰ্শ সদায় মনত থাকিব। বিশেষকৈ কলেজৰ বিভিন্ন সভাত দয়ানন্দ পাঠকদেৱে দিয়া ৰসাল বক্তৃতাসমূহে মোক আকৰ্ষিত কৰিছিল। মোক অভিনেতা হিচাপে গঢ়ি তোলাৰ প্ৰথম চাপটো গঢ়ি দিছিল ড০ পৰমানন্দ ৰাজবংশীদেৱে, তেখেতে ৰচনা কৰা শ্ৰেষ্ঠখন নাটতেই মঞ্চ অভিনয় কৰি অসমৰ বিভিন্ন জনপ্ৰিয় মঞ্চত প্ৰশংসিত হৈছিলো। (অৱশ্যে ড০ পৰমানন্দ ৰাজবংশী মোৰ ঘৰুৱা সমীপৰতীও হয়) মোৰ লগতে কলেজৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে তেখেতৰ নাটত অভিনয় কৰিছিল।

এইখিনিতে মনলৈ আহে সেই সময়ত আমাৰ মহাবিদ্যালয়ত শিক্ষা বিভাগৰ উদ্যোগত মহাবিদ্যালয় প্ৰাংগনত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত এখনি শিক্ষা বিষয়া Conference ৰ কথা। য'ত আমাৰ ছাত্ৰ-ছাত্ৰীবোৰকো দায়িত্ব কিছুমান ভগাই দিয়া হৈছিল। সেইয়া আছিল এটা খুউব ভাল লগা অভিজ্ঞতা। য'ত দূৰ-দূৰণীৰপৰা অহা বিশিষ্ট গৱেষক আৰু শিক্ষাবিদৰ সৈতে আমি মত বিনিময় কৰাৰ সুযোগ লাভ কৰিছিলো।

এই সমগ্ৰ মধুৰ স্মৃতিৰাজিৰে মোৰ বুকুৰ কৰণীত আজিও জীপাল সেই প্ৰাগজ্যোতিষীয় দিনবোৰ। কেইটিমানি সৰু টুকুৰা কথা অথবা পাহৰিব নোৱাৰা যেনে - কলেজৰ প্ৰথম দিনেই এটা সিদ্ধান্ত লৈছিলো, সেই কাৰণত মনত নাই যে সকলোৰে লগত বন্ধুত্ব কৰিলেও মৌচুমী ঠাকুৰীয়াৰ লগত কাহানিও নকৰো কিন্তু পিছলৈ মৌচুমীয়েই মোৰ best friend লৈ ৰূপান্তৰ হৈছিল। যিটো আছে, এতিয়াও মাজে সময়ে খবৰ লও....। লক্ষীমপুৰীয়া অৰুণৰ ধেমেলীয়া কথাবোৰ.... জুৰিৰ ডাঙৰ ডাঙৰ চকু আৰু ঘন কেঁকোৰা চুলিবোৰক লৈ মই গান লিখি নৱাগত আদৰণী সভাত গোৱা....

*"জুৰি অ' জুৰি ঘূৰি চোৱানা*
*মোলৈ চাই এবাৰ হাঁহি দিয়া না*
*তোমাৰ কাজল সনা চকুজুৰিৰ*
*চাৰণীৰ চাৰে যে মই বলীয়া....)।"*

মই গোৱাৰ আগতে কৈয়ো লৈছিলো সেইয়া মই জুৰিক লৈ লিখা গীত। সেই আৰম্ভণি আজিও শেষ হোৱা নাই.... এতিয়াও মাজে সময়ে দুই এটি গীত লিখো।

এই আটাইবোৰ স্মৃতিয়ে মোৰ কলেজীয়া সময়বোৰ মোৰ জীৱনৰ মধুময় সময়ৰূপে সজাই তুলিছিল। এতিয়াও মোৰ অভিনয় জীৱনৰ পদে পদে অনুভৱ কৰো সেই দিনবোৰৰ প্ৰভাৱ। সেই সময়ত অৰ্জা জ্ঞান, অভিজ্ঞতা আৰু অনুপ্ৰেৰণা।

প্ৰাগজ্যোতিষ মহাবিদ্যালয় মোৰ বাবে এটি বিদ্যামন্দিৰেই নহয়। "প্ৰাগজ্যোতিষ মহাবিদ্যালয়" মোৰ বাবে এটা আবেগৰ নাম।

সেই সোণালী দিনবোৰৰ কথা প্ৰায়ে মনলৈ আহে আৰু বুকুত তুলি যায় এবুকু ভাল লগা আবেগৰ ঢৌ।

মোৰ শ্ৰেষ্ঠ বন্ধু মৌচুমী বা অৰুণক পালে এতিয়াও কওঁ ধেমালীৰে.....

"আকৌ ঘূৰাই পোৱা হ'লে, সেই প্ৰাগজ্যোতিষীয় দিনবোৰ।"

গৰিমাৰে উজলি থাকক সদায় মোৰ মৰমৰ "প্ৰাগজ্যোতিষ মহাবিদ্যালয়।"

# কৃতজ্ঞতা

✍ বিপ্লৱজিত বৰুৱা
প্ৰাণী বিভাগ

**একবিংশ** শতিকাৰ ১৬তম বছৰৰ মাজ সময়। গ্ৰীষ্মৰ সময়ছোৱা ৰ'দে দেই পুৰি নিয়া গৰমত ঘামে ভৰা গা। লগত মোৰ দেৱতুল্য দেউতা। ঘেৰ্-ঘেৰ্কৈ শব্দ কৰি অহা বাছখনত মানুহ উঠে মানে উঠে, নামি যোৱাৰ সংখ্যা তেনেই তাকৰ। বাছখনৰ পৰা লক্ষ্যস্থানৰ বাছ-আস্থানটোত নামি আগবাঢ়িছো দুয়ো, ভাগৰত দুয়োৰে অৱস্থা কাহিল।

ক্ষন্তেক সময় পাছতেই কোনো এক অচিন দেশৰ পৰা অহা কলীয়া ৰজাই যেন আদেশ হে কৰিবলৈ পালে.... হঠাতেই যেন অতি পৰাক্ৰমেৰে নামি আহিল কলীয়া ৰজাৰ বুকু ভেদি অত্যুতসাহী, মেদিনী কপাই তোলা বিজুলী।..... আৰম্ভ হ'ল কিন্-কিন্কৈ বৰষুণ জাকৰ, সুৰুযেও যেন কিবা দেখুৱাবলৈ উদ্যত মোৰ আশাৰ ৰঙীণ ধৰাক। মহানগৰীৰ কোনো এটা অচিন দিগন্তৰ ফালে মোৰ দৃষ্টি, ইফালে কিন্-কিন্ বৰষুণ জাকত আমি খোজ কাঢ়ি অহা পকী তৃষ্ণাতুৰ পথছোৱাই যেন প্ৰাণ পাইছে। ইফালে পথছোৱা পানী পৰি যেন এক প্ৰকাৰৰ কেঁচা মাটি তিতি ওলোৱাৰ নিচিনা সুবাস ওলাইছে। লগতে মোৰ দৃষ্টি নিবদ্ধ কৰি ৰখা অচিন দিগন্তৰ সাতোৰঙী ৰামধেনু। বাহ!!! সঁচাকৈয়ে কি যে এক সুন্দৰ স্মৃতি..... আজিও মোৰ মনত দকৈ পোত খাই আছে। সেই সুন্দৰ দিনটোৰ যিদিনা মই ১৯৫৪ চনত স্থাপিত হোৱা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত মই নামভৰ্ত্তি কৰিছিলোঁ।

সময় পাখি লগা কাঁড় কথাষাৰ সকলোৰে জ্ঞাত। মহাবিদ্যালয়ৰ প্ৰথম শ্ৰেণীকোঠাত পহিলা আগষ্ট ২০১৬ চনৰ পৰাই আজি বৰ্তমান মই পঞ্চম সন্মাষিকৰ ছাত্ৰ আৰু এয়া ২০১৮ চন। হাজাৰবো অধিক এই মহাবিদ্যালয়ত বন্ধু বৰ্গ আৰু মোৰ অগ্ৰজ-ভাইটি-ভন্টিসকলক মহাবিদ্যালয়ত পাইছো। শ্ৰেণীকোঠাৰ চাৰিবেৰৰ মাজত অধ্যাপক সকলৰ পাঠধানৰ পৰা যেন মোৰ ৰিক্ত, ভোকাতুৰ মগজুৰে দৈনিক পেট মোকলাই, যিবোৰ জ্ঞানৰ বাবে মই তেওঁলোকৰ ওচৰত সদায় কৃতজ্ঞ।

বন্ধু-বৰ্গৰ মৰম-চেনেহ মাত কথা আৰু ধেমালিৰ খোৱাকত মাজে মাজে কৰা অট্টহাস্যবোৰ প্ৰাগজ্যোতিষৰ চৌহদত যেন প্ৰতিধ্বনিৰ এক মধুৰ ক্ষণ সৃষ্টি কৰি মোৰ লগতে তেওঁলোকৰো স্মৃতি সজীৱ কৰি ৰাখিব। এইবোৰ মধুৰ ক্ষণ তেওঁলোকৰ পৰা পাইছো যাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

অধ্যয়নৰত অৱস্থাত মই মহাবিদ্যালয় খনৰ কাষৰীয়া এখন ছাত্ৰবাসত থাকি মোৰ বহুত অভিজ্ঞতাই হৈছিল। কোনো ধৰণৰ বদ অভিজ্ঞতা নহয় বৰং মধুৰ অভিজ্ঞতাহে যিবোৰ এই ছাত্ৰাবাসৰ বন্ধু-বৰ্গ তথা মোৰ কনিষ্ঠ সকলৰ পৰা পাইছিলো। এইবোৰো মোৰ যুগমীয়া হৈ ৰোৱা বহুত অভিজ্ঞতা ভৰা স্মৃতি যাৰ বাবে মই তেওঁলোকৰ ওচৰত সদায় কৃতজ্ঞ।

এই মহাবিদ্যালয়ৰেই এচুকত অৱস্থিত প্ৰাণীবিজ্ঞান বিভাগত মই মোৰ সহ-পাঠীসকলৰ লগত মোৰ প্ৰথম শ্ৰেণীকোঠাৰ প্ৰথমটো পাঠদানৰ পৰা আজিলৈকে মই বহুতো জ্ঞান পালো আৰু নিজৰ বিভাগৰ অধ্যাপক সকলৰ ওচৰত মই বিশেষতঃ সদায় কৃতজ্ঞ। আৰু সহ-পাঠী সকলৰ ওচৰতো মই সদায় কৃতজ্ঞ।

২০১৭ চন আগষ্ট মাহৰ মাজৰ সময়সীমা মহাবিদ্যালয়ত ছাত্ৰ-একতা সভাৰ কু-কুৱাজৰ ৰেঙণি দেখিবলৈ পাইছিলো। সময় বাগৰাৰ লগে লগে ছেপ্তেম্বৰ মাহ পৰিল আৰু তাৰেও পষেক পাৰ হ'ল। ইতিমধ্যেই এই নিৰ্ব্বাচনৰ প্ৰচাৰৰ বাবে প্ৰাৰ্থীৰ চূড়ান্ত তালিকাৰ বাবে উখল-মাখল পৰিস্থিতি। যথা সময়ত নিৰ্বাচনৰ আগে আগে তালিকা সম্পূৰ্ণৰূপে প্ৰকাশ পালে। য'ত এই মহাবিদ্যালয়ৰেই পৰৱৰ্তী ছাত্ৰ-জিৰণী কোঠা আৰু লঘু খেল (Boy's Common Room and Minor Game's) ৰ সম্পাদক হিচাপে নিৰ্বাচিত হ'লো এইটো ছাত্ৰ-জীৱনৰ মোৰ অন্য এক ডাঙৰ অভিজ্ঞতা য'ৰ পৰা মই মহাবিদ্যালয় খনৰ বাবে বহুতো কৰণীয় কাম-কাজৰ মিঠা অনুভৱ পালো। ইংৰাজী

'Union' শব্দৰ মূল অৰ্থ 'গোট'। এই গোট শব্দটোৰ মই সঁচা অৰ্থ বুজি পালো, এক গোট হৈ কাম-কৰাৰ সময়ত তেতিয়া, যেতিয়া মই অনগণ্য (Union Member) সভাপতি, সম্পাদক/সম্পাদিকা সকলৰ পৰা লগতে বিভিন্নজন অধ্যাপকৰ নানান নতুন কথা জ্ঞান ইত্যাদিৰো সোৱাদ পাইছিলো, সৰস্বতী পূজা, মহাবিদ্যালয় সপ্তাহ ইত্যাদিত। যাৰ বাবে মই মহাবিদ্যালয়ৰ প্ৰত্যেকৰে ওচৰত সদায় কৃতজ্ঞ।

শপত গ্ৰহণ অনুষ্ঠানত সকলোৰে আগত শপত পাঠ লৈ মহাবিদ্যালয়ৰ হৈ ভাল কাম-কৰাৰ দায়িত্ব লৈ মই সঁচাকৈয়ে বহুত আনন্দ পাইছিলো। শপত গ্ৰহণৰ ঠিক মোৰ বক্তব্যৰ পাচতেই আমাৰ অতিকে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় তথা অসম সাহিত্য সভাৰ সভাপতি ড০ পৰমানন্দ ৰাজবংশী ছাৰে মোৰ মূৰত হাত বোলাই আগবাঢ়ি যাবলৈ আশীৰ্বাদ দিছিল যি দৃশ্য মোৰ আজিও চকুত ভাহি উঠে স্পষ্টকৈ। মোৰ পৰামৰ্শদাতা প্ৰদীপ কলিতা ছাৰে মোৰ এই কাম-কাজত বহুত সহায় কৰিছিল লগতে তেওঁ মোক শিক্ষাৰ বহুত জ্ঞানো দিছিল যাৰ বাবে মই এই দুগৰাকী ব্যক্তিৰ ওচৰত সদায় কৃতজ্ঞ।

২০১৮ চনৰ ফেব্ৰুৱাৰী মাহ প্ৰাণী-বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপিকা স্বৰ্গীয় ড০ আংগুৰ বেগম বাইদেউৰ দেহাৱসান হয় ৰোগে জুৰুলা কৰা বাইদেউৰে কেতিয়াও জীৱনত হাৰ মনা নাছিল তেওঁ আমাক পাঠদানৰ বাহিৰেও আন ব্যৱহাৰিক অতি গুৰুত্বপূৰ্ণ জ্ঞান দান কৰিছিল যাৰ বাবে আমি প্ৰাণী বিজ্ঞান বিভাগটোৰে তেওঁৰ ওচৰত কৃতজ্ঞতা জনাইছো।

এয়াই মোৰ এই প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ বৰ্তমানলৈকে মোৰ লগত হোৱা স্মৃতি। এই সকলোবোৰ হয়তো পৰিণত হ'ল মোৰ ইংৰাজী শব্দ নষ্টালজিয়ালৈ। যিবোৰ মুহূৰ্তৰ বাবে মই এইখন মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ জৰিত প্ৰত্যেকৰে ওচৰত আজি মই চিৰ কৃতজ্ঞ। আৰু আকৌ এবাৰ শেষত মোৰ বিভাগ প্ৰাণী বিজ্ঞান বিভাগটোৰ লগত জৰিত প্ৰত্যেক জন বন্ধু-বান্ধৱী তথা কৰ্মচাৰী দাদা সকল আৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউ সকলক পুনৰবাৰ কৃতজ্ঞতা জনালো।

প্ৰচুৰ অধ্যয়ন আৰু চিন্তাৰ সাৰমৰ্ম কাকতে-কলমে প্ৰকাশ কৰাটোৱেই ছাত্ৰৰ প্ৰকৃত সেৱা। এইদৰে সাহিত্য সেৱাৰ পৰাই ভৱিষ্যতত আমাৰ মৌলিক অনুসন্ধানত কৃতকাৰ্য হোৱাৰ আশা আছে।

— কৃষ্ণকান্ত সন্দিকৈ

# মহাবিদ্যালয় সপ্তাহৰ আৰু এটা স্মৃতি

জিন্তু দত্ত
প্ৰাক্তন ছাত্ৰ

আজিও সজীৱ আৰু হয়তো পিছতো মোৰ অভিনয়ৰ পেচা হিচাপে লোৱাৰ দিশত প্ৰেৰণা তথা উৎসাহৰ কাৰক হৈছিল... মই মহাবিদ্যালয় সপ্তাহত দুয়োটা বৰ্ষতেই বৰ্ষ শ্ৰেষ্ঠ অভিনেতা হ'বলৈ সক্ষম হৈছিলো। অৱশ্যে অন্তিম বৰ্ষত নাট প্ৰতিযোগিতা অনুষ্ঠিত হোৱা নাছিল।

এইখিনিতে মই মোৰ কলেজীয়া দিনবোৰত মোৰ মতাত কাহানিও মচ নোখোৱাকৈ সাঁজ বহুৱাবলৈ পোৱা ব্যক্তি কেইগৰাকীৰ নাম মই আজি উল্লেখ কৰিব লাগিব। তেওঁলোক হ'ল ক্ৰমে সেই সময়ৰ অন্যথা মহোদয় দয়ানন্দ পাঠক, অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড০ পৰমানন্দ ৰাজবংশী, শিক্ষা বিভাগৰ অন্যঠা কেইগৰাকী অধ্যাপক/অধ্যাপিকা বিশেষকৈ সুচিত্ৰা বাইদেউ আৰু বিভিন্ন বিভাগৰ বৈকুণ্ঠ ৰাজবংশী, চলেন দাস চাৰৰ মৰম আৰু পৰামৰ্শ সদায় মনত থাকিব। বিশেষকৈ কলেজৰ বিভিন্ন সভাত দয়ানন্দ পাঠকদেৱে দিয়া ৰসাল বক্তৃতা সমূহ মোক আকৰ্ষিত কৰিছিল। মোক অভিনেতা হিচাপে গঢ়ি তোলাৰ প্ৰথম চাপটো গঢ়ি দিছিল ড০ পৰমানন্দ ৰাজবংশীদেৱে, তেখেতে ৰচনা কৰা শ্ৰেষ্ঠখন নাটতেই মঞ্চ অভিনয় কৰি অসমৰ বিভিন্ন জনপ্ৰিয় মঞ্চত প্ৰশংসিত হৈছিলো। (অৱশ্যে ড০ পৰমানন্দ ৰাজবংশী মোৰ ঘৰুৱা সমীপৱৰ্তীও হয়) মোৰ লগত কলেজৰ বহুকেইজন ছাত্ৰ-ছাত্ৰীয়ে তেখেতৰ নাটত




অভিনয় কৰিছিল।

এইখিনিতে মনলৈ আহে সেই সময়ত আমাৰ মহাবিদ্যালয়ত শিক্ষা বিভাগৰ উদ্যোগত মহাবিদ্যালয় প্ৰাংগনত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত এখনি শিক্ষা বিষয়া কনফাৰেন্স ৰ কথা। য'ত আমাৰ ছাত্ৰ-ছাত্ৰীবোৰকো

দায়িত্ব কিছুমান ভগাই দিয়া হৈছিল। সেইয়া আছিল এটা খুউব ভাল লগা অভিজ্ঞতা। য'ত দূৰ-দূৰণিৰপৰা আহা বিশিষ্ট গৱেষক আৰু শিক্ষাবিদৰ সৈতে আমি মত বিনিময় কৰাৰ সুযোগ লাভ কৰিছিলো।

এই সমগ্ৰ মধুৰ স্মৃতিৰাজিৰে মোৰ বুকুৰ কৰণীত আজিও জীপাল সেই প্ৰাগজ্যোতিষীয় দিনবোৰ। কেইটিমানি সৰু টুকুৰা কথা অথবা পাহৰিব নোৱাৰা যেনে - কলেজৰ প্ৰথম দিনেই এটা সিদ্ধান্ত লৈছিলো সেই কাৰণত মনত নাই যে সকলোৰে লগত বন্ধুত্ব কৰিলেও মৌচুমী ঠাকুৰীয়া লগৰ কাহানিও নকৰো কিন্তু পিছলৈ মৌচুমীয়েই মোৰ বেষ্ট ফ্ৰেইণ্ড লৈ ৰূপান্তৰিত হৈছিল। যিটো আজিও আছে, এতিয়াও মাজে সময়ে খবৰ লও। লক্ষীমপুৰীয়া অৰুণৰ ধেমেলীয়া কথাবোৰ.... জুৰিৰ ডাঙৰ ডাঙৰ চকু আৰু ঘন কেঁকোৰা চুলিবোৰক লৈ মই গান লিখি নৱাগত আদৰণী সভাত গোৱা

"জুৰি অ' জুৰি ঘূৰি চোৱানা
মোলৈ চাই এবাৰ হাঁহি দিয়ানা
তোমাৰ কাজলসনা চকুজুৰিৰ
চাৰণীৰ চাৰে যে মই বলীয়া.....)।"

মই গোৱাৰ আগতে কৈয়ো লৈছিলো সেইয়া মই জুৰিক লৈ লিখা গীত। সেই আৰম্ভণি আজিও শেষ হোৱা নাই... এতিয়াও মাজে সময়ে দুই এটি গীত লিখো।

এই আটাইবোৰ স্মৃতিয়ে মোৰ কলেজীয়া সময়বোৰ মোৰ জীৱন যঠুয়া সময়ৰূপে সজাই তুলিছিলো এতিয়াও মোৰ অভিনয় জীৱনৰ পদে পদে অনুভৱ কৰো সেই দিনবোৰৰ প্ৰভাৱ। সেই সময়ত অৰ্জা জ্ঞান, অভিজ্ঞতা আৰু অনুপ্ৰেৰণা। প্ৰাগজ্যোতিষ মহাবিদ্যালয় মোৰ বাবে এটি বিদ্যামন্দিৰেই নহয়। 'প্ৰাগজ্যোতিষ মহাবিদ্যালয়'ত মোৰ বাবে এটা আৱেগৰ নাম।

সেই সোণালী দিনবোৰৰ কথা প্ৰায়ে মনলৈ আহে আৰু বুকুত তুলি যায় এবুকু ভাল লগা আবেগৰ ঢৌ।

মোৰ শ্ৰেষ্ঠ বন্ধু মৌচুমী বা অৰুণক পালে
এতিয়াও কওঁ ধেমালীৰে.....
'আকৌ ঘূৰাই পোৱা হ'লে সেই
প্ৰাগজ্যোতিষীয় দিনবোৰ।'
গৰিমাৰে উজলি থাকক সদায়
মোৰ মৰমৰ "প্ৰাগজ্যোতিষ মহাবিদ্যালয়"

আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎচৰিত্ৰ গঠন হয়। যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়। যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হয় আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত নিজে থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰোঁ।
— স্বামী বিবেকানন্দ

# ছাত্ৰ-ছাত্ৰীৰ কিতাপ পঢ়াৰ অভ্যাস বঢ়াবলৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ভূমিকা

***1st Prize in writting competition.***

✍ উৰ্বশী দেৱী

স্নাতকোত্তৰ, অসমীয়া বিভাগ

**"ছাত্ৰানাং অধ্যয়নং তপঃ।।"**

— ভাৰতীয় দৰ্শনে তাহানিতেই উনুকিয়া থৈ যোৱা এই জ্ঞান প্ৰবাহৰ কাঁচিয়লিত যুগ যুগান্তৰে বিশ্বজনীনতা লাভ কৰিলে। আত্মকৰ্ষণৰ তাগিদাতেই অধ্যয়নৰ চাহিদা অপৰিহাৰ্য। এই কৰ্ষণৰ, মানৱ সমাজৰ বৌদ্ধিক পৰিমণ্ডলৰ বিকাশ সম্ভৱ একমাত্ৰ জ্ঞান আহৰণৰ দ্বাৰাহে। গ্ৰন্থাগাৰ এনে এখনি নন্দন কানন য'ত জ্ঞান ফুলনিৰ প্ৰতিপাহ পাৰিজাতে আলফুলে পাহি-মেলি জগত সুবাসি কৰে। বছা বছা মণিষীৰ জ্ঞান কৰ্ষণৰ বাবে কৰা ত্যাগ, পৰিশ্ৰমৰ উপযুক্ত নিৰ্যাসৰ একমাত্ৰ নিৰ্ভৰযোগ্য স্থান — গ্ৰন্থাগাৰ।

জীৱনৰ এটি মধুময় সময়ৰ অব্যাহতিত চকুত অযুত জ্ঞানপিপাসা আৰু সাৰ্থকতাৰ সমাহাৰেৰে প্ৰতি বছৰেই মহাবিদ্যালয়লৈ আগমন ঘটে এজাক দুৰন্ত তৰুণৰ। সভ্যতাৰ আদিম দিনৰে পৰাই মানৱ জীৱনে পৰিশীলিত ৰূপ লাভ কৰিছে একমাত্ৰ জ্ঞানৰ দ্বাৰা নিজক সংস্কৃতকৰণ কৰি। জীৱনৰ নিৰ্দিষ্ট কৰি ৰখা দিশত ছাত্ৰ-ছাত্ৰীক সঘনে ধাৱিত কৰাত মহাবিদ্যালয়ৰ ভূমিকা সৰ্ব্বোচ্চ। সমাজৰ সংখ্যাগৰিষ্ঠ স্বপ্নদ্ৰষ্টা যুৱচামক নিজ পথৰ পৰা বিচ্যুত নোহোৱা কৰি ৰখাত গ্ৰন্থাগাৰ এক আদৰ্শ প্ৰতিষ্ঠান। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰে যোগান ধৰা সা-সুবিধাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক উফকৃত কৰি গ্ৰন্থাগাৰে এক নিঃসন্দেহে প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

সাম্প্ৰতিক সময়ৰ সমাজ, অৰ্থনীতি, প্ৰযুক্তিক্ষেত্ৰ তথা সামগ্ৰিক পৰিস্থিতিত বিশ্বায়নৰ প্ৰভাৱে সৃষ্টি কৰা জটিলতা সৰ্বজনবিদিত। মনোৰঞ্জনখনৰ বৃদ্ধিগতিৰ যি প্ৰবাহ, তাৰ প্ৰভাৱত যুৱচাম সঘনে অধ্যয়ন ক্ষেত্ৰখনৰ পৰা বিচ্যুত হোৱা পৰিলক্ষিত হয়। এই বিচ্যুতকৰণ ৰোধ কৰাৰ ক্ষমতা আছে কেৱল মাথো গ্ৰন্থাগাৰৰ। এগৰাকী মণিষীয়ে কোৱাৰ দৰেই —

"কাৰোবাৰ সতে কথা পাতি অতিবাহিত কৰা অপৰ্যাপ্ত সময়তকৈ গ্ৰন্থাগাৰ অতিবাহিত কৰা এটি মূহুৰ্ত অধিক মূল্যবান।"

গ্ৰন্থাগাৰৰ পৰিৱেশত ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰা অন্যতম আহিলা হ'ল — উপযুক্ত অধ্যয়নৰ পৰিৱেশ। গ্ৰন্থাগাৰত বিৰাজ কৰা শান্তি, নিয়মানুবৰ্তীতা তথা শৃংখলাই ছাত্ৰ-ছাত্ৰীৰ মানসিক দিশক অতি সহজে প্ৰভাৱিত কৰে। ফলত তেওঁলোক কিতাপ পঢ়াৰ অভ্যাস গঢ় লৈ উঠে। গ্ৰন্থাগাৰ এনে এক স্থল য'ত বহুমুখী অপেক্ষা (Various expectation) একেলগে উপলব্ধ হয়। ফলত অধ্যয়ন পিপাসু ছাত্ৰ-ছাত্ৰীৰ বাবে জ্ঞান আহৰণ শ্ৰমৰ কাম হৈ নাথাকে।

গোলকীকৰণে সমগ্ৰ পৃথিৱীকে হাতৰ মুঠিত অনাৰ পিছতো কিন্তু ভাৰতৰ এক গৰিষ্ঠসংখ্যক জনসংখ্যাই দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। সাক্ষৰতাৰ হাৰো বিশ্বৰ অন্য দেশৰ তুলনাত তেনেই নগণ্য। গতিকে শিক্ষাৰ পোহৰেৰে উদ্ভাসিত হৈ নুঠা বহু অঞ্চল এতিয়াও অন্ধাকাৰেৰে আচ্ছন্ন হৈ আছে য'ত ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ জাৰ্ণেল, গৱেষণা পত্ৰতো দূৰৈৰে কথা; হয়তো নূন্যতম পাঠ্যপুথিৰো অভাৱ। ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক বৈষম্যতাক দূৰ কৰি অধ্যয়ন অভ্যাসৰ গতি দিয়ে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰে। দুষ্প্ৰাপ্য পুৰণি পুথি-পাঁজিৰ পৰা আদি কৰি সাম্প্ৰতিক সময়ৰ বতৰাৰে পূৰ্ণ বাতৰি কাকত, আলোচনী আদি অধ্যয়নৰ অভ্যাসো গঢ় দিয়ে একমাত্ৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰেই।

গ্ৰন্থাগাৰৰ সুচাৰু পৰিচালনা ব্যৱস্থাই অভিপ্ৰেত গ্ৰন্থ অথবা অধ্যয়নৰ আহিলা ছাত্ৰ-ছাত্ৰীৰ বাবে সহজলভ্য কৰি তোলে। ফলত ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণে বাধাহীন সলিল গতি লাভ কৰে। প্ৰকৃততে গ্ৰন্থাগাৰ এক মন্দিৰ য'ত অধ্যয়ন উপাসনাই মানৱ জীৱনক সৰ্ব্বোচ্চ স্তৰত উপনীত কৰায়। গ্ৰন্থাগাৰ ভাৰতীয় শিক্ষা পদ্ধতিৰ এক প্ৰাচীন অংগ। প্ৰাচীন ভাৰতৰ বিখ্যাত বিশ্ববিদ্যালয় নালন্দাতো 'ৰত্নভাণ্ডাৰ' নামে এক গ্ৰন্থাগাৰ থকাৰ উল্লেখ পোৱা যায়। সি যি নহওক, ছাত্ৰ-ছাত্ৰীৰ কিতাপ পঢ়াৰ অভ্যাস গঢ়াৰ ক্ষেত্ৰত গ্ৰন্থাগাৰে মহাবিদ্যালয়ত এক উচ্চ ভূমিকা গ্ৰহণ কৰিছে। যিহেতু জ্ঞান প্ৰাপ্তিৰ কোনো সীমাৰেখা অঙ্কন আজিকোপটি সম্ভৱ হোৱা নাই, শিক্ষাৰ সতে গ্ৰন্থাগাৰৰ অস্তিত্ব সুদূৰ ভৱিষ্যতলৈও নিৰবচ্ছিন্ন ৰূপে বৰ্তি থাকিব। মহান মণিষীয়ে কোৱাৰ দৰেই —

"…. And miles to go before I sleep."